# নতুন ৰঙাগড়া পৰিৱেশ উন্নয়ন সমিতি

## গুইজান মণ্ডল, তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডল
## তিনিচুকীয়া জিলা, অসম

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

(২০১৬-১৭ৰ পৰা ২০২৫-২৬)

প্ৰস্তুতকৰ্তা ঃ নতুন ৰঙাগড়া ই ডি চি

সহযোগ

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্পেল'

(আই আই ই, আৰ জি ভি এন আৰু চি এম এল)

জুলাই-২০১৬

Approved

Divisional Forest Officer
Tinsukia Wildlife Division
Tinsukia

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| ACF | Assistant Conservator Forests |
| (এ চি এফ) | (সহকাৰী বন সংৰক্ষক) |
| AFD | Agency France de Development |
| (এ এফ ডি) | (উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| APFBC | Assam Project on Forest and Bio-diversity Conservation |
| (এ পি এফ বি চি) | (বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| APL | Above Poverty Line |
| (এ পি এল) | (দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰ) |
| BPL | Bellow Poverty Line |
| (বি পি এল) | (দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) |
| CCF | Chief Conservator of Forests |
| (চি চি এফ) | (মুখ্য বন সংৰক্ষক) |
| CF | Conservator of Forests |
| (চি চি এফ) | (বন সংৰক্ষক) |
| CML | Centre for Microfinance and Livelihood |
| (চি এম এল) | (জীৱিকা আৰু ক্ষুদ্ৰ বিত্তীয় বিনিয়োগ কেন্দ্ৰ) |
| COMPELO | Consortium for Micro Planning and Enhancing Livelihood Opportunities |
| (ক'মপেল') | (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| DCF | Deputy Conservator of Forests |
| (ডি চি এফ) | (উপ বন সংৰক্ষক) |
| DFO | Divisional Forest Officer |
| (ডি এফ অ') | (মাণ্ডলিক বন বিষয়া) |
| EDC | Eco-Development Committee |
| (ই ডি চি) | (পৰিৱেশ উন্নয়ন কমিটী) |
| EPA | Entry Point Activities |
| (ই পি এ) | (প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| FCA | Forests (conservation) Act, 1981 |
| (এফ চি এ) | (বন সংৰক্ষণ আইন ১৯৮১) |
| FD | Forests Deprtment |
| (এফ ডি) | (বন বিভাগ) |
| FRA | Forests Rights Act |
| (এফ আৰ এ) | (বনাঞ্চল অধিকাৰ আইন) |
| FV | Forests Village |
| (এফ ভি) | (বনাঞ্চলীয় গাঁও) |
| FYP | Five Year Plan |
| (এফ ৱাই পি) | (পঞ্চবাৰ্ষিক পৰিকল্পনা) |
| GHG | Green House Gases |
| (জি এইচ জি) | (সেউজ গৃহ বায়ুমণ্ডল) |
| GoI | Government of India |
| (জি অ' আই) | (ভাৰত চৰকাৰ) |
| GP | Gaon Panchayat |
| (জি পি) | (গাঁও পঞ্চায়ত) |

| | |
|---|---|
| Ha | Hectare |
| (হে) | হেক্টৰ (মাটিকালি) |
| HH | Households |
| (এইচ এইচ) | (প্ৰতি ঘৰ) |
| IIE | Indian Institute of Entrepreneurship |
| আই আই ই | (ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| JFMC | Joint Forest Management Committee |
| (জে এফ এম চি) | (যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী) |
| MoEFCC | Ministry of Environment, Forests & Climate Change |
| (এম অ' ই এফ চি চি) | (পৰিৱেশ, বন আৰু বতৰ পৰিৱৰ্তন মন্ত্ৰালয়) |
| MT | Matric Ton |
| (এম টি) | (মেট্ৰিক টন) |
| NTFP | Non Timber Forest Product |
| (এন টি এফ পি) | (কাঠবিহীন বনজ উৎপাদিত সামগ্ৰী) |
| OBC | Other Backward Classes |
| (অ' বি চি) | (অন্যান্য পিছপৰা শ্ৰেণী) |
| SDP | Skill Development Programme |
| (এছ ডি পি) | (দক্ষতা বিকাশ আঁচনি) |
| ST | Scheduled Tribes |
| (এছ টি) | (অনুসূচিত জনজাতি) |
| SC | Scheduled Caste |
| (এছ চি) | (অনুসূচিত জাতি) |
| PHC | Primary Health Centre |
| (পি এইচ ই) | (প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ) |
| PMU | Project Monitoring Unit |
| (পি এম ইউ) | (প্ৰকল্প নিৰীক্ষণ গোট) |
| PRA | Participatory Rural Appraisal |
| (পি আৰ এ) | (গ্ৰাম্য অংশগ্ৰহণকাৰীৰ অভিমত) |
| RO | Range Officer |
| (আৰ অ') | (ৰেঞ্জ অফিচাৰ (মাগুলিক বিষয়া)) |
| RGVN | Rashtriya Gramin Vikash Nidhi |
| (আৰ জি ভি এন) | (ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি) |
| SDG | Sustainable Development Goals |
| (এছ ডি জি) | (দীৰ্ঘম্যাদী বিকাশৰ লক্ষ্য) |
| SLF | Sustainable Livelyhood Framework |
| (এছ এল এফ) | (দীৰ্ঘম্যাদী জীৱিকাৰ আৰ্হি) |
| SWOT | Strength Weakness Opportunity & Threat |
| (এছ ডব্লিউ অ' টি) | (সক্ষমতা, দুৰ্বলতা, সুযোগ আৰু ভাবুকি) |
| WPC | Working Plan Circle |
| (ডব্লিউ পি চি) | (কাৰ্য পৰিকল্পনা) |

# নতুন ৰঙাগড়া পৰিৱেশ উন্নয়ন সমিতি
## গুঁইজান ক্ষেত্ৰীয় এলেকা, তিনিচুকীয়া বন সংমণ্ডল

# ১০ বছৰৰ বাবে ক্ষুদ্ৰ প্ৰকল্প আঁচনি
## (জীৱিকা বিকাশ পৰিকল্পনা আৰু বনাঞ্চল উন্নীতকৰণ আঁচনি)

## সূচীপত্ৰ


| | | |
|---|---|---|
| (১) | পাতনি ঃ ................................................. | ৫ |
| (২) | গ্ৰাম্য আৰ্থ-সামাজিক পৰিচয়........................ | ৬ |
| (৩) | জীৱিকাৰ সুযোগ বিশ্লেষণ........................... | ১০ |
| (৪) | জীৱিকা বিকাশ পৰিকল্পনা........................... | ১৬ |
| (৫) | ই ডি চিৰ কাৰ্য আঁচনি............................. | ১৭ |
| (৬) | বনাঞ্চল বিকাশ আঁচনি............................. | ২১ |
| | অতিৰিক্ত সূচীৰ তালিকা............................. | ৩৬ |

## (১) পাতনি

**প্ৰকল্প আঁচনিৰ বিষয়ে** ঃ বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প, অসম (এপিএফবিচি)ৰ মূল লক্ষ্য হৈছে 'অসমত এক দীৰ্ঘম্যাদী বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থাপনা স্থাপন কৰাৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল নিৰ্ধাৰিত অঞ্চলৰ জনসমুদায়সমূহক বনাঞ্চল তথা বনাঞ্চল বহিৰ্ভূত সম্পদেৰে তেওঁলোকৰ দৈনন্দিন জীৱিকাৰ সুবিধা মুকলিৰ বাবে এক বহুমুখী আঁচনিৰ কাৰ্য ৰূপায়ণ কৰা। এই প্ৰকল্পৰ মূল উদ্দেশ্য বৰ্ণোৱা হৈছে এইদৰে— বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনসমুদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকাৰ সুযোগ বৃদ্ধিৰ লগতে বনাঞ্চলৰ পাৰিপাৰ্শ্বিক পৰিৱেশ পুনৰুজ্জীৱিত কৰা আৰু জৈৱ-বৈচিত্ৰ্যৰ দীৰ্ঘম্যাদী ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ নিশ্চিত কৰা।

এই প্ৰকল্পৰ বাবে অসম চৰকাৰৰ সহযোগত মূলতঃ এএফডি (এজেন্সী ফ্ৰেন্স দ্য ডেভেলপমেণ্ট) নামৰ ফ্ৰান্সৰ উন্নয়নকামী সংস্থাই বিত্তীয় সহযোগ আগবঢ়াইছে। বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প সমিতি, অসম (এপিএফবিচি সমিতি)ক এই প্ৰকল্প আঁচনিৰ কাৰ্য ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা, নিৰীক্ষণ, সহযোগিতা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

**ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ বিকাশ** ঃ বজাৰ সম্ভাৱনাপূৰ্ণ মান নিৰ্ণয়েৰে দৈনন্দিন জীৱিকাক উদগনি যোগাবলৈ বৰ্তমানৰ প্ৰকল্প আঁচনিয়ে উদ্যমিতা বিকাশত উদগনি যোগোৱাৰ লগতে এই প্ৰকল্পৰ অধীনত উৎপাদিত সামগ্ৰীৰ মান নিৰ্ণয় আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থাৰ লক্ষ্য ৰাখিছে। সাম্প্ৰতিক সময়ত জনসংখ্যাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানৰ বনজ সম্পদৰ ওপৰত আহি পৰা অহেতুক হেঁচাৰ বাবেই ই অতি আৰশ্যকীয় হৈ পৰিছে। সেয়ে বজাৰ সম্ভাৱনাৰ ওপৰত লক্ষ্য ৰাখি সাম্প্ৰতিক বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যৰ উৎপাদিত সামগ্ৰী তথা সেৱাৰ মান বিকশাই তোলাটো অতি আৰশ্যক হৈ পৰিছে। ইয়াৰ উপৰি বনজ সম্পদ বহিৰ্ভূত জীৱিকাৰ সন্ধান উদ্ভৱ কৰিবলৈ সংশ্লিষ্ট জনসমুদায়ৰ সদস্যসকলৰ দক্ষতা বিকাশৰ মাধ্যমেৰে তেওঁলোকৰ সক্ষমতা বৃদ্ধিৰ আৰশ্যকতাও আহি পৰিছে।

ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আইআইই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰজিভিএন) তথা ক্ষুদ্ৰ বিনিয়োগ কেন্দ্ৰ আৰু জীৱিকা শীৰ্ষক (চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেঞ্চ এণ্ড লাইভলিহুড) নামৰ প্ৰতিষ্ঠান কেইটাক লৈ গঠিত মহাজোঁটে এই প্ৰকল্প আঁচনিৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ কাৰ্য আঁচনি ৰূপায়ণ কৰিব। এই মহাজোঁটক 'Consortium for Micro Planning and Enhanching Livelihood Opportunittes– COMPLEO' (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) ক'ম্‌পেল' হিচাপে নামকৰণ কৰা হৈছে।

প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি এই ক্ষুদ্ৰ পৰিকল্পনাৰ ভিতৰত 'বন বিভাগ আৰু গাঁওসমূহৰ বিভিন্ন কাৰ্যব্যৱস্থা... বনাঞ্চল নিৰ্ভৰশীল ব্যক্তিসমূহৰ জীৱিকালৈ আগবঢ়োৱা সহযোগিতা আৰু মূলতঃ দীৰ্ঘম্যাদী বন ব্যৱস্থাপনাৰ বিষয় অন্তৰ্নিহিত হৈ আছে। ইয়াৰ লগতে আছে বনাঞ্চলৰ

উন্নয়ন আৰু জীৱিকাৰ বিকাশৰ বিষয়ে।

**নতুন ৰঙাগড়া ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** ঃ অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত নতুন ৰঙাগড়া ই ডি চিৰ বাবে এই শিতানত ক্ষুদ্ৰ পৰিকল্পনা নিৰ্ধাৰণ কৰা হৈছে। বনাঞ্চল উজ্জীৱিতকৰণ আৰু বনানীকৰণৰ বাবে নতুন ৰঙাগড়া ই ডি চি (পৰিৱেশ উন্নয়ন সমিতি) বন্যপ্ৰাণী সংমণ্ডল বিভাগ, গুঁইজান সংমণ্ডলৰ অধীনস্থ। বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনাৰ আঁচনিখন স্থানীয় পুৰুষ-মহিলা তথা স্থানীয় জনসমুদায়ৰ সদস্যসকলে প্ৰস্তুত কৰিছে। উল্লেখ্য যে ২০১৬ চনৰ জুন মাহত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই)ৰ সহযোগী কৰ্মী আৰু সংশ্লিষ্ট এলেকাৰ জনসমুদায়ৰ সদস্যৰ প্ৰচেষ্টাত 'গ্ৰামীণ সহযোগকাৰীৰ সহমত' (পি আৰ এ)ৰ আশাশুধীয়া ফলাফল হিচাপে আঁচনিৰ ৰূপ পাইছে। এই ক্ষুদ্ৰ পৰিকল্পনা আঁচনিখন প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি আই আই ইয়ে প্ৰস্তুত কৰি উলিয়াইছে। এই আঁচনিখন গ্ৰহণ কৰাৰ বাবে জুলাই, ২০১৬ত আলোচনামৰ্মে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক পৰিচয়

**স্থান** ঃ নতুন ৰঙাগড়া ই ডি চি ২০১৬ চনত গঠন কৰা হৈছিল। এই ই ডি চিৰ অধীনত কলীয়াপানী, ৰঙাগড়া আৰু বালিজান গাঁৱক সামৰি লোৱা হয়। গুঁইজান বন সংমণ্ডলৰ পৰা দহ কিলোমিটাৰ দূৰত্বত এই ই ডি চি অৱস্থিত।

**অতিৰিক্ত সূচী (১)ত গ্ৰাম্য মানচিত্ৰ দিয়া হৈছে।**

**প্ৰধান তথ্যসমূহ** ঃ **ই ডি চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) ই ডি চিৰ প্ৰধান তথ্যসমূহ—**

| | |
|---|---|
| ই ডি চিৰ নাম | নতুন ৰঙাগড়া |
| জিলা | তিনিচুকীয়া |
| বন সংমণ্ডল | তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডল |
| বনাঞ্চল ক্ষেত্ৰীয় এলেকা | গুঁইজান |
| এলেকা গঠন বৰ্ষ | ২০১৫-১৬ |
| মুঠ আৱাসী | ২৭০জন |
| ই ডি চিৰ মুঠ গাঁও | ৩খন |
| ই ডি চিৰ সীমা বৰ্ণনা | উত্তৰে ঃ<br>দক্ষিণে ঃ<br>পশ্চিমে ঃ<br>পূবে ঃ |
| বনাঞ্চল ক্ষেত্ৰীয় অফিচ | গুঁইজান |

**উৎস** ঃ জুন ২০১৬ত পি আৰ এ অনুশীলনত ই ডি চিৰ সৈতে হোৱা আলোচনা আৰু সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটী আৰু**
**সাধাৰণ সভাৰ চমু বিৰৰণ** ঃ **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৰৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৰৰণ**

| | |
|---|---|
| **সভাপতিৰ নাম** | **হীৰেন সেনাপতি** |
| **সম্পাদকৰ নাম** | **চম্পা দে'** |
| **কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা** | **৯, পুৰুষ- , মহিলা-** |
| **সাধাৰণ সভাৰ সদস্য সংখ্যা** | **২৭০জন** |

**উৎস ঃ** ই ডি চিৰ পৰা সংগৃহীত তথ্য।

**আৱাস গৃহ আৰু জনসংখ্যা গাঁথনি** ঃ নতুন ৰঙাগড়া ই ডি চিৰ ৫খন গাঁৱত ২৭০টা আৱাস আছে। মুঠ জনসংখ্যা ১২২৫। ইয়াৰে ৫২০গৰাকী পুৰুষ আৰু ৬০৫গৰাকী মহিলা সদস্য। লিংগৰ অনুপাত ঃ প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৭৮গৰাকী। প্ৰতি আৱাসত গড় ব্যক্তিৰ সংখ্যা ৬জন অধ্যয়ন কৰি পোৱা গৈছে, নতুন ৰঙাগড়া গাঁওখনৰ মিশ্ৰিত জনগাঁথনি, যেনে— আহোম, সোণোৱাল কছাৰী, আদিবাসী লোক আছে। অধিকসংখ্যক লোকেই অন্যান্য পিছপৰা শ্ৰেণীৰ। দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা আৱাসী পৰিয়ালৰ সংখ্যা ৮৬।

তালিকা-২, ৰেকৰ্ড (১)ৰ তথ্যৰ পৰা পৰ্যালোচনাৰে বিবেচনা কৰা হৈছে।

**শিক্ষা আৰু দক্ষতা বিকাশ** ঃ ৪৩.৫ শতাংশৰো অধিক জনসংখ্যা লিখা-পঢ়া কৰা লোক। বেছিসংখ্যক ব্যক্তিয়েই বিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে। আনহাতে, গাঁওখনৰ কমসংখ্যক লোকেহে মহাবিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰিছে। জীৱিকাৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাপনাৰ পৰা আহৰণ কৰা দেখা যায়। ই ডি চিৰ অধীনস্থ এলেকাৰ, দক্ষতা আহৰণৰ অনানুষ্ঠানিক মাধ্যমটো পৰম্পৰাগত। নিম্নোক্ত ক্ষেত্ৰসমূহত সাধাৰণ লোকসকলে পৰম্পৰাগত দক্ষতা লাভ কৰা দেখা যায়—

(ক) পশুপালন
(খ) মীনপালন
(গ) ৰাজমিস্ত্ৰী
(ঘ) পেইণ্টাৰ
(ঙ) ড্ৰাইভাৰ

চৰকাৰে সমগ্ৰ দেশ তথা ৰাজ্যসমূহত দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণত ব্ৰতী হৈছে। কিন্তু আৱাসিক এলেকাসমূহত বা ইয়াৰ ওচৰে-পাঁজৰে এনে কাৰ্য আঁচনি ৰূপায়ণ কৰা হোৱা নাই।

**মাটি** ঃ নতুন ৰঙাগড়া ই ডি চিৰ গাঁওসমূহত তিনি ধৰণৰ মাটি পোৱা যায়— পলসযুক্ত বালি মাটি, পলসুৱা মাটি আৰু আঠালেতীয়া পলসযুক্ত মাটি। মুঠ মাটিকালিৰ ভিতৰত ৬২.০ শতাংশ খেতিৰ বাবে উপযোগী, ৮ শতাংশ অনুপযোগী হোৱাৰ বিপৰীতে ৩০ শতাংশ মাটি কৃষিৰ বাবে উপলব্ধ নহয়। এই এলেকাৰ মাটিকালিক দুটা শ্ৰেণীত ভাগ কৰিব পৰা যায়। নৈপৰীয়া পলসযুক্ত আৰু পুৰণি পলসযুক্ত মাটি।

**পানী** ঃ জলসম্পদৰ বাবে স্থানীয় জনসাধাৰণে দমকল আৰু কুঁৱাৰ ওপৰত নিৰ্ভৰশীল। প্ৰায় ১৯৭ পৰিয়ালে খোৱাপানী আৰু অন্যান্য কাম-কাজৰ বাবে দমকল ব্যৱহাৰ কৰে। এলেকাটোৰ ভূ ভাগত পৰ্যাপ্ত পানী পোৱা যায়। আৱাসীসকলে সময়

সাপেক্ষে বিভিন্ন কাম-কাজৰ বাবে কুঁৱাৰ পানীও ব্যৱহাৰ কৰে।

**বতৰ, তাপমান আৰু বৰষুণ** ঃ অঞ্চলটোত সৰ্বোচ্চ তাপমান জুলাই-আগষ্ট মাহত (৩৫° চেলছিয়াচ) আৰু সৰ্বনিম্ন তাপমান ডিচেম্বৰ-জানুৱাৰী মাহত (৭°-৮° চেলছিয়াচ) হোৱা দেখা যায়। বায়ুমণ্ডলৰ আৰ্দ্ৰতা পুৱাৰ ভাগত ৯০-৯৫ শতাংশ আৰু বিয়লিৰ ভাগত ৫০-৭০ শতাংশ পৰ্যন্ত হয়। বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ২৩০০-৩০০০ মিঃমিঃ পৰ্যন্ত হয়। বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ ২৮১৯ মিঃ মিঃ। দেখা যায় যে জুন-ছেপ্টেম্বৰ মাহত বৰষুণৰ পৰিমাণ ৬৪-৬৮ শতাংশ হোৱাৰ বিপৰীতে মাৰ্চ-মে' মাহত ইয়াৰ পৰিমাণ হয়গৈ ২২-২৬ শতাংশ। মুঠ দুই-তৃতীয়াংশ বৰষুণ হয়।

**বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য** ঃ সংৰক্ষিত এলেকাটোৰ বনাঞ্চল গ্ৰীষ্মমণ্ডলীয়। গুঁইজান ই ডি চি এলেকাৰ বনাঞ্চলত বিভিন্ন প্ৰাজতিৰ গছ-গছনি যেনে— এজাৰ, বাদাম, বোলা, উৰিয়াম, বুৰাল, শিমলু, চিদা, ৰাধাচূড়া, ধূনা, ধূপ, ডিমৰু, গহৰা, কৃষ্ণচূড়া, ভেলেউ, চেগুন আদি পোৱা যায়। গুঁইজান ই ডি চিৰ সমীপৱৰ্তী ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু বৰজান, পদুমী বন্যপ্ৰাণী সংৰক্ষিত এলেকাত থকা বিভিন্ন প্ৰজাতিৰ গছ-গছনি আৰু পশু-পক্ষীয়ে পৰ্যটন খণ্ডক আকৰ্ষিত কৰি আহিছে। আৰু সেয়ে অঞ্চলটোত পৰিৱেশ-পৰ্যটন বিকাশৰ পূৰ্ণ সম্ভাৱনা আছে। অঞ্চলটোৰ বৰ্ষাৰণ্য আৰু নদীকাষৰীয়া বনাঞ্চলত আপুৰুগীয়া গছ-গছনি আৰু জীৱ-জন্তু পোৱা যায়। অঞ্চলটোৰ বৰ্ষাৰণ্যত পোৱা বিভিন্ন প্ৰজাতিৰ কপৌজাতীয় ফুল, পখিলা, চৰাই, মেকুৰী আদি আকৰ্ষণৰ কেন্দ্ৰবিন্দু আৰু ইয়াক আন স্থানত পোৱা নাযায়।

**ব্যৱহাৰিক মাটিকালিৰ ধৰণ** ঃ **অনুসূচী (২)**ত গাঁওখনৰ ব্যৱহাৰিক মাটিকালিৰ বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। উক্ত তথ্যৰ পৰা মাটিৰ ব্যৱহাৰৰ নিম্নোক্ত ছবি এখন দাঙি ধৰা হ'ল—

- খৰিৰ বাবে গছ ৰোপণ
- বনাঞ্চল হ্ৰাস
- কৃষি পথাৰ
- পুখুৰী
- ৰাস্তা
- নিষ্পত্তি কৰা এলেকা
- জুৰি
- বৃক্ষৰোপণ এলেকা
- জলাশয়

**স্বত্বাধিকাৰত থকা মাটি** ঃ **ৰেকৰ্ড-১**ৰ তালিকা- ৩ৰ তথ্যমৰ্মে আৱাসীয় লোকসকলৰ অধিকৃত মাটিৰ পৰিমাণ—

- ৮৩.৩৩ শতাংশ আৱাসীয় পৰিয়ালৰ (২২৫টা পৰিয়াল) খেতিমাটি আছে।
- ডাঙৰ খেতিয়ক (>১০ হেক্টৰ) ১৫.৫৫ শতাংশ (৪২টা পৰিয়াল)
- সাধাৰণ খেতিয়ক (২-১০ হেক্টৰ) ১৮.৮৮ শতাংশ (৫১টা পৰিয়াল)
- ক্ষুদ্ৰ খেতিয়ক (<২ হেক্টৰ) ২০ শতাংশ (৫৪টা পৰিয়াল)
- ভূমিহীন ৪৪.৮১ শতাংশ (১২১টা পৰিয়াল)

**পশুধন** ঃ গাঁওখনত সৰ্বমুঠ পশুধনৰ সংখ্যা হৈছে ৬৫৪টা। আৱাসীয় পৰিয়ালসমূহৰ হাতত মজুত থকা প্ৰধান পশুধন হৈছে—

- হাঁহ-কুকুৰা ঃ ১৫০টা

- বলদ গৰু ঃ ৮৯টা
- হাঁহ-কুকুৰা ঃ ১০৪৯টা
- গাহৰি ঃ ১৫টা
- ছাগলী ঃ ২৬৫টা

**ৰেকৰ্ড ঃ ১**ৰ তালিকা- ৪ত এই সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ যিকোনো জনসমুদায়ত দীৰ্ঘম্যাদী জীৱিকাৰ বিকল্প সুবিধাৰ বাবে ন্যূনতম আন্তঃগাঁথনিয়েহে বাট মুকলি কৰে। বৰ্তমানৰ পৰিস্থিতিত গাঁওখনৰ আন্তঃগাঁথনিৰ বাস্তৱ স্থিতি তলত উল্লেখ কৰা হ'ল—

**ব্যৱহাৰিক আন্তঃগাঁথনি ঃ** আৱাসীয় লোকসকলে প্ৰাথমিক সা-সুবিধা, যেনে— বিজুলী যোগান, ম'বাইল ফোন, চাইকেল, মটৰচাইকেল আদি ব্যৱহাৰ কৰিছে। গাঁও এলেকাটো মূল ঘাইপথৰ সৈতে সংযোজিত আৰু ইয়ে তেওঁলোকক চহৰৰ সৈতে সংযোগ কৰাইছে।

**শিক্ষা আৰু স্বাস্থ্যসেৱা ঃ** গাঁওখনত শিক্ষা আৰু স্বাস্থ্যসেৱা খণ্ডত ন্যূনতম সুবিধা আছে। গাঁওখনৰ শিক্ষা স্বাস্থ্য সেৱা খণ্ডত দুখন নিম্ন প্ৰাথমিক বিদ্যালয়, চাৰিটা অংগনৱাড়ী কেন্দ্ৰ, এটা জনস্বাস্থ্য কেন্দ্ৰ উপলব্ধ।

**চৰকাৰী কাৰ্যালয় ঃ** গাঁও এলেকাত চৰকাৰী কাৰ্যালয় তথা ইয়াৰ সংযোগী বিভাগসমূহ, যেনে— পঞ্চায়ত কাৰ্যালয়, স্থানীয় আৰক্ষী চকী, ফৰেষ্ট বিট অফিচ আদি বিদ্যমান।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** বিত্তীয় লেনদেনৰ সা-সুবিধা বাবে গাঁও এলেকাত এছ বি আইৰ এটা শাখা আৰু ডাকঘৰ এটা আছে যদিও গাঁও এলেকাৰ পৰা ই ৫ কিলোমিটাৰ দূৰৈত অৱস্থিত।

**ৰেকৰ্ড-১ৰ তালিকা নং ৫ত গাঁৱৰ আন্তঃগাঁথনি সম্পৰ্কে আলোচনা কৰা হৈছে।**

**কৃষিজাত উৎপাদন** ঃ গাঁওখনত কৃষিজাত উৎপাদন সম্পৰ্কত **ৰেকৰ্ড- ১ৰ তালিকা নং- ৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে।

- কেৱল মাত্ৰ ৬ শতাংশ পৰিয়ালেহে শালি ধানৰ খেতি কৰে।
- সীমিত কৃষি মাটি আৰু তিনিচুকীয়া চহৰখন নিকটৱৰ্তী হোৱা বাবে কৃষকসকলক কৃষিকৰ্মত নিয়োজিত হোৱাৰ পৰা অনুৎসাহিত হোৱা দেখা যায়। অৱশ্যে পৰম্পৰাগতভাৱে কিছুমান খেতি, যেনে— আম, কঁঠাল, কল, পাচলি আদি খেতি কৰা দেখা যায়।
- কিছুমান পৰিয়ালে ক্ষুদ্ৰ চাহ বাগিচা কৰা দেখা যায়।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং-** ৭ত গাঁওখনত উৎপাদিত খাদ্যশস্যৰ সবিশেষ চাব পৰা যায়। গাঁওখনৰ পৰিয়ালসমূহে বৰষুণ ভিত্তিক খেতিত নিয়োজিত হয়।

**পশু খাদ্যৰ মজুত স্থিতি** ঃ গাঁওখনত পশু খাদ্যৰ মজুত স্থিতি সম্পৰ্কত ৰেকৰ্ড Iৰ তালিকা নং-৮ত সন্নিৱিষ্ট হৈছে। উক্ত তালিকাই স্পষ্ট কৰা মতে, গাঁওখনত উপলব্ধ পশু খাদ্যৰ উৎসসমূহ হৈছে—

- ধান খেতিৰ অৱশিষ্ট।

- বনাঞ্চলৰ পথাৰ।
- পৰিয়ালসমূহৰ পাচলিৰ অৱশিষ্ট।
- সেউজীয়া ঘাঁহ।

**বজাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ৯**ত দেখুওৱা হৈছে গাঁওখনৰ পৰা বিভিন্ন স্থানত থকা বজাৰসমূহ। গাঁওখনৰ জনসমুদায়ে লেনদেন কৰা মূল বজাৰসমূহ হৈছে—

- গেলামাল/ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দোকান ঃ গাঁৱৰ লগত সংলগ্ন।
- সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ১ কিঃমিঃ দূৰত্বত
- মূল বজাৰ ঃ তিনিচুকীয়া (১২ কিঃমিঃ দূৰত্বত)।

**জলসম্পদ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১০**ত জলসম্পদৰ তথ্য দাঙি ধৰা হৈছে। গাঁওখনত মজুত থকা মূল জলসম্পদৰ উৎসসমূহ হৈছে—

- দমকল ঃ ২২৫টা (পৰ্যাপ্ত)
- নদী ঃ ১খন (পৰ্যাপ্ত)
- কুঁৱা ঃ ৪টা

**ইন্ধনৰ ব্যৱহাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১১**ত গাঁওখনত উপলব্ধ ইন্ধনৰ তথ্য সন্নিৱিষ্ট হৈছে। একেখিনি তথ্য তলত উল্লেখ কৰা হ'ল—

- **কাঠ খৰি ঃ** নিৰ্ভৰশীল পৰিয়াল ঃ ২২৫টা, উৎস ঃ স্থানীয় বনাঞ্চল।
- **কেৰাচিন ঃ** নিৰ্ভৰশীল পৰিয়াল ঃ ৫৪টা, উৎস ঃ বাহিৰৰ বজাৰ।
- **ৰন্ধন গেছ ঃ** নিৰ্ভৰশীল পৰিয়াল ৫৪টা।

**আৰ্থ-সামাজিক স্থিতি**

**সামাজিক গঠন** ঃ গাঁওখন অনুসূচিত জনজাতীয় সমুদায়ৰে গঠিত। তেওঁলোকৰ মাজত উপ-জাতিগত বৈষম্য নাই। মহিলাৰ মৰ্যাদা সন্তোষজনক দেখা যায়। গাঁওখনৰ পৰিয়ালসমূহ নিম্ন মধ্য বৰ্গৰ আৰু অঞ্চলটোত অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰো আধিপত্য আছে।

**অৰ্থনৈতিক স্থিতি ঃ** অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। লোকসকলৰ স্থায়ী উপাৰ্জনৰ পথ নাই। লোকসকলে যদিও কৃষিকৰ্মত নিয়োজিত ইয়াৰ পৰিসৰ সীমিত। কেৱল মাত্ৰ ৪ শতাংশ লোকহে কৃষিকৰ্মত নিয়োজিত। সঘন বানপানীৰ বাবে শস্য আৰু পশুধনৰ প্ৰতিবছৰে বিস্তৰ ক্ষতিসাধন হয়। পৰিয়ালসমূহৰ বাৰ্ষিক আয় ৭০,০০০ৰ পৰা ১,২০,০০০ টকা। এলেকাটোৰ পৰা শ্ৰম মজুৰিৰ বাবে প্ৰব্ৰজন ঘটা দেখা যায়। লোকসকলে হ্ৰস্বকালীন সময়ৰ বাবে চুবুৰীয়া এলেকাত ইটাৰ ভাতা আদিত কাম কৰে।

**মানচিত্ৰ** ঃ অনুসূচী-১ত পি আৰ এ অনুশীলনৰ ভিত্তিত মানচিত্ৰ দাঙি ধৰা হৈছে।

- গাঁৱৰ মানচিত্ৰ
- গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এৰ সদস্যসকলৰ নাম-তথ্যসহ)
- গাঁৱৰ সম্পদৰ উৎসৰ মানচিত্ৰ।
- সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ।

## ৩ জীৱিকাৰ সুযোগ বিশ্লেষণ

**পি আৰ এ অনুশীলন** ঃ তলত উল্লেখ কৰা ধৰণে নতুন ৰঙাগড়া গাঁৱত চি এম এল, গুৱাহাটীৰ

বিশেষজ্ঞৰ দলে পি আৰ এ অনুশীলন তলত দিয়া ধৰণে চলায়—

- তাৰিখ ঃ ২৭-১০-২০১৬
- স্থান ঃ অংগনৱাড়ী কেন্দ্ৰ
- উপস্থিত জনসংখ্যা ঃ ৫৬জন।

উপস্থিত আছিল— ই ডি চিৰ কৰ্মকৰ্তা, গাঁওপ্ৰধান, স্থানীয় সদস্য, বন বিভাগৰ কৰ্মচাৰী আদি।

**পি আৰ এৰ উদ্দেশ্য** ঃ মুখ্য উদ্দেশ্য হৈছে—

- অঞ্চলটোত জীৱিকাৰ বিকল্পৰ সন্ধান, ইয়াৰ সুযোগ আৰু প্ৰত্যাহ্বান সম্পৰ্কে অধ্যয়ন কৰা।
- দুখীয়া লোকসকলক প্ৰয়োজনীয় ঋণৰ আৱশ্যকতাৰ ব্যৱস্থাপনা সম্পৰ্কে বুজ লোৱা। বিত্তীয় প্ৰতিষ্ঠানে আগবঢ়াব পৰা সেৱাৰ বাবে বিকল্পৰ সন্ধান, প্ৰত্যাহ্বান আৰু সুযোগ বিশ্লেষণ কৰা।
- স্থানীয় লোকসকলৰ নিয়োগ-নিযুক্তিৰ সুবিধা, আয় বৃদ্ধি আৰু জীৱিকাত সমৰ্থন জনোৱাৰ বাবে সাম্প্ৰতিক জীৱিকা ব্যৱস্থাপনাৰ চিহ্নিত কৰা।

**আৰ্হিৰ ব্যৱহাৰ আৰু পি আৰ এৰ ফলাফল** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—

- সামাজিক মানচিত্ৰ
- সম্পদৰাজিৰ মানচিত্ৰ
- সম্পদশালীৰ শ্ৰেণীবদ্ধকৰণ
- সময়ভিত্তিক জীৱিকা
- ভেন চিত্ৰ

অনুসূচী ঃ ........ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে

**মাপ নিৰূপণ** ঃ তলত উল্লেখ কৰা বিষয়কেইটাৰ ওপৰত মাপ নিৰূপণ প্ৰক্ৰিয়া হাতত লোৱা হয়—

**(ক) জীৱিকা আৰু দক্ষতা বিকাশ**

**(খ) আৰম্ভ কৰিব পৰা কাৰ্যব্যৱস্থা (ই পি এ)**

**অনুসূচী-৩**ত উল্লিখিত বিষয় দুটাৰ বিশ্লেষণ কৰিছে। তাত দেখুওৱা হৈছে—
জীৱিকা আৰু দক্ষতা বিকাশৰ মাপ নিৰূপণ

**ই পি এ শ্ৰেণীবদ্ধকৰণ**

| ক্ৰঃ নং | গ্ৰামীণ ই পি এ নিৰূপিত মাপত | বিশদ বিৱৰণ অনুসূচী নং ৩ত | সম্ভাব্য বিত্তীয় উৎস/বিভাগ |
|---|---|---|---|
| ১ | চিকিৎসালয় | | |
| ২ | মঞ্চ প্ৰতিষ্ঠা | | |
| ৩ | বোৱা-কটা কেন্দ্ৰ | | |
| ৪ | গেছ | | |
| ৫ | এম্বুলেন্স | | |

**জীৱিকাৰ সুযোগ** ঃ তলত জীৱিকাৰ সুযোগসমূহ উল্লেখ কৰা ধৰণে চিহ্নিত কৰা হৈছে—
গাঁও এলেকাত উপলব্ধ জীৱিকাৰ ওপৰত ভিত্তি কৰি দক্ষতা বিকাশৰ প্ৰয়োজনীয়তা আৰু অগ্ৰাধিকাৰ সম্পৰ্কত পৰ্যালোচনা চলোৱা হয়। এইক্ষেত্ৰত কৃষিখণ্ড আৰু

অকৃষিখণ্ড হিচাপে দুটা শ্রেণীত বিভক্ত কৰা হয়। দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীৰ অগ্ৰাধিকাৰ ভিত্তিত তলত তালিকা দাঙি ধৰা হ'ল—

**তালিকা- ১ ঃ জীৱিকাৰ সুযোগ শ্ৰেণীবদ্ধকৰণ—**

| প্ৰশিক্ষণৰ কাৰ্যসূচীৰ ধৰণ | অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| বয়ন শিল্প | ১ | — | — | — | — |
| টেইলৰিং আৰু এম্ব্ৰইডাৰী | — | — | — | ৪ | — |
| ইলেক্ট্ৰিচিয়ান | — | ২ | — | — | — |
| চিকিৎসা বিষয়ক | — | — | — | ৪ | — |
| খাদ্য প্ৰস্তুতকৰণ | — | — | — | ৪ | — |
| অন্যান্য (এন টি এফ পি) | ১ | — | — | — | — |

উৎস ঃ পি আৰ এ

**কৃষি আৰু উদ্যান শস্য** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১২**ত কৃষি আৰু উদ্যান শস্য ক্ষেত্ৰখনত জীৱিকাৰ সুযোগ সম্পৰ্কে বিবেচনা কৰিব পৰা যায়—

**মূল আসোঁৱাহসমূহ—**

(ক) বন্যপ্ৰাণীৰ পৰা নিৰাপত্তাৰ বাবে বেৰৰ অভাৱ

(খ) জলসিঞ্চনৰ অভাৱ

(গ) কৃষি আন্তঃগাঁথনি, আধুনিক যন্ত্ৰপাতি আদিৰ অভাৱ

(ঘ) উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰৰ অভাৱ

**সুযোগসমূহ—**

(ক) উপযুক্ত আৰু নিয়ন্ত্ৰণাধীন কীট-পটংগনাশক ঔষধৰ ব্যৱহাৰ

(খ) নতুন আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ

(গ) সুসংগঠিত প্ৰশিক্ষণ আঁচনিৰ প্ৰয়োগ

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ ঃ**

(ক) ট্ৰেক্টৰ চালনাৰ প্ৰশিক্ষণ

(খ) কৃষিভিত্তিক দক্ষতা বিকাশৰ আঁচনি ৰূপায়ণ

(গ) কীট-পটংগনাশক দ্ৰব্যৰ ব্যৱহাৰ তথা উচ্চ উৎপাদনমুখী কৃষিকৰ্মৰ প্ৰশিক্ষণ

**পশুধন** ঃ **তালিকা নং- ১৩**ত পৰিয়ালৰ আৰ্থিক সকাহৰ বাবে পশুধন পালনৰ সুযোগ সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।

**মূল আসোঁৱাহসমূহ—**

(ক) দুৰ্বল অৰ্থনৈতিক অৱস্থাৰ বাবে মুকলি বজাৰৰ পৰা পশু খাদ্য ক্ৰয়ত আহি পৰা সমস্যা।

(খ) পশুধনৰ ক্ষতি কৰা বন্যপ্ৰাণীৰ পৰা ভাবুকি

(গ) পশু চিকিৎসা কেন্দ্ৰৰ অভাৱ।

(ঘ) পশুধন পালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ।

**সুযোগসমূহ—**

(ক) পশুধনৰ পৰা 'উচ্চ হাৰত আয়'ৰ সম্ভাৱনা

(খ) তিনিচুকীয়া জিলা মুখ্যালয় সমীপৱৰ্তী হোৱা বাবে গাখীৰৰ বৃহৎ চাহিদাৰ বজাৰ এখনো আছে।

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) গাহৰি পালন।

(খ) হাঁহ-কুকুৰা পালন।

**এন টি এফ পি** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৪**ত এন টি এফ পিৰ পৰা হ'ব পৰা সুযোগসমূহ উল্লেখ কৰা হৈছে—

**মূল আসোঁৱাহসমূহ—**

(ক) এন টি এফ পি ঔষধি গছৰ খেতি সম্পৰ্কত কাৰিকৰী জ্ঞানৰ অভাৱ

(খ) বজাৰৰ যোগসূত্ৰ স্থাপনৰ বাবে জ্ঞানৰ অভাৱ

**সুযোগসমূহ—**

(১) কৃষিকৰ্মত ব্যৱহাৰ নকৰা উৰ্বৰ মাটি উপলব্ধ।

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) খাদ্যশস্য ৰোপণ।

(খ) ঔষধি গছ আদি ৰোপণ।

**বিশেষ দক্ষতাৰ বিকাশ** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৫**ত দক্ষতা বিকাশৰ সুযোগসমূহ উল্লেখ কৰা হৈছে।

**মূল অসুবিধাসমূহ—**

(ক) উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰৰ অভাৱ।

(খ) উৎপাদিত সামগ্ৰীৰ গুণমান উন্নয়নৰ বাবে গৱেষণাৰ অভাৱ।

(গ) টি কিউ এম (TQM) পদ্ধতিৰ ব্যৱহাৰৰ অভাৱ।

**সুযোগসমূহ—**

(ক) উপযুক্ত যোগাযোগ ব্যৱস্থাৰ সুবিধা

(খ) দক্ষসকলৰ প্ৰশিক্ষণ

(গ) চৰকাৰী-বেচৰকাৰী আৰু অন্যান্য প্ৰতিষ্ঠানৰ পৰা বিত্তীয় সহযোগ

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) আধুনিক যন্ত্ৰ-পাতিৰ ওপৰত প্ৰশিক্ষণ দিয়া

(খ) গাঁওবাসীক আধুনিক প্ৰযুক্তিগত জ্ঞান আৰু সঁজুলি যোগান ধৰা।

(গ) সামগ্ৰীৰ বিভিন্ন ৰূপান্তৰেৰে উৎপাদন আৰু নতুন সামগ্ৰীৰ উৎপাদন বিকাশৰ বাবে দক্ষতা বিকাশ তথা প্ৰশিক্ষণ।

(ঘ) কেঁচা সামগ্ৰী মজুতকৰণ বেংক স্থাপন

(ঙ) পাইকাৰী হাৰত উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানৰে যোগাযোগ

**ঋণ সুবিধা** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৬**ত এই বিষয়ে বিশদ আলোচনা কৰা হৈছে।

**মূল আসোঁৱাহসমূহ কাৰণৰ সৈতে—**

(ক) বিত্তীয় প্ৰতিষ্ঠাৰ অভাৱ।

(খ) উচ্চ হাৰত সুদ লোৱা ঋণদাতা জড়িত।

**সুযোগসমূহ—**

(ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

(খ) পৰ্যাপ্ত সজাগতা বৃদ্ধি কৰা (মুদ্ৰা ঋণ আদি)।

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) গাঁওখনৰ নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

**কৌশলগত হস্তক্ষেপ** ঃ জীৱিকা বিকাশ পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে ওপৰোক্ত পৰামৰ্শসমূহৰ সাৰাংশ এনে ধৰণৰ—

**(১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চলোৱা প্ৰশিক্ষণ, কৃষিভিত্তিক দক্ষতা বিকাশ আঁচনি গ্ৰহণ, কীট-পতংগ, সাৰ, অধিক হাৰত উৎপাদন হোৱা হাইব্ৰীড খেতি আদিৰ প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা।

**(২) পশুধন ঃ** গাহৰি পালন, হাঁহ-কুকুৰা পালন।

**(৩) এন ডব্লিউ এফ পি ঃ** খাদ্য শস্য, ঔষধি গছ (এম এ পি) আদি ৰোপণ।

**(৪) বিশেষ দক্ষতা বিকাশ ঃ** আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰৰ প্ৰশিক্ষণ, গ্ৰামাঞ্চলৰ জনসাধাৰণক আধুনিক প্ৰযুক্তিৰ জ্ঞান আৰু সঁজুলি যোগান ধৰা, নতুন সামগ্ৰী

উৎপাদনৰ প্ৰশিক্ষণ, সামগ্ৰীৰ নতুন ৰূপান্তৰণৰ বাবে দক্ষতা বিকাশ, কেঁচামাল মজুতকৰণ কক্ষ বা বেংক স্থাপন আৰু ক্ৰেতা প্ৰতিষ্ঠানৰ সৈতে বজাৰ সংযোগ স্থাপন।

**(৫) ঋণ সুবিধা ঃ** নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

**জীৱিকাৰ সুযোগ বিশ্লেষণ** ঃ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি জীৱিকাৰ সুযোগ আৰু আৰ্হি বিশ্লেষণ কৰা হৈছে।

- জীৱিকাৰ বাবে সম্পদ
- জীৱিকাৰ ধৰণ
- সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ

নতুন ৰঙাগড়া ই ডি চিত জীৱিকা সম্পৰ্কীয় স্থিতি সন্দৰ্ভত পি আৰ এ অনুশীলনৰ সময়ত পৰ্যালোচনা চলোৱা হয়। ডি এফ ডি আইৰ আৰ্হিত চলোৱা এই অনুশীলনত ই ডি চিৰ জীৱিকা সম্পৰ্কীয় স্থিতি তলত উল্লেখিত ধৰণে চিহ্নিত কৰা হয়।

- প্ৰকৃতিক মূলধন
- আন্তঃগাঁথনিগত মূলধন
- সামাজিক মূলধন
- মানৱ মূলধন
- বিত্তীয় মূলধন

**প্ৰাকৃতিক মূলধন** ঃ নতুন ৰঙাগড়া ই ডি চিৰ প্ৰধান প্ৰকৃতিক মূলধন হৈছে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু ডিব্ৰু নৈখনে কৃষিকৰ্মত সহায়ক হোৱাকৈ উপযোগিতা আগবঢ়াইছে। জীৱিকাৰ সমৰ্থনত গাঁওবাসীয়ে নৈৰ পানী তথা ভূগৰ্ভৰ পানীও ব্যৱহাৰ কৰিছে।

**আন্তঃগাঁথনিগত মূলধন** ঃ নতুন ৰঙাগড়াৰ গৰিষ্ঠসংখ্যক আৱাসীয়ে খেতিৰ সৈতে জড়িত। (অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।) গাঁওখনত কোনো পকী বা আধা পকী ঘৰ নাই।

**সামাজিক মূলধন** ঃ সামাজিক মূলধনৰ বিষয়টোৱে অঞ্চলটোৰ লোকসকলৰ পাৰদৰ্শিতা, ঔদ্যোগিক প্ৰতিষ্ঠানৰ বিকাশ আৰু ব্যৱস্থাপনাগত দক্ষতা, সামগ্ৰীৰ যোগান, কৌশলগত মিত্ৰতা তথা সমূদায়টোৰ সামগ্ৰিক বিকাশৰ বিশ্লেষণ কৰে।

প্ৰকল্প এলেকাত সীমিতসংখ্যক আত্মসহায়ক গোট আছে। এলেকাটোত জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে তথা সমবায় আদি সুসংগঠিত কৰাৰ বাবে আত্মসহায়ক গোটসমূহক সবলীকৰণ কৰাৰ আৱশ্যকতা আছে।

দেখা গৈছে যে অঞ্চলটোৰ জনসাধাৰণৰ মাজত চৰকাৰী আচনি আদিৰ বিতৰণ ব্যৱস্থা তেনেই দুৰ্বল। এলেকাটোত সামাজিক আঁচনি আদি এতিয়াও বাহাল হ'বলৈ বাকী।

**মানৱ মূলধন** প্ৰকল্প এলেকাৰ কৃষিখণ্ডত লোকসকল পৰম্পৰাগতভাৱে দক্ষ। এলেকাৰ প্ৰায়ভাগ পৰিয়ালেই কৃষিকৰ্মৰ সৈতে জড়িত আৰু নিজকে পোহপাল দিবলৈ সক্ষম।

কৃষকসকলে পৰ্যাপ্ত খাদ্য সম্ভাৰ উৎপাদন কৰে। তেওঁলোকৰ এই উৎপাদন স্থানীয় প্ৰয়োজনীয়তাৰ চাহিদাহে পূৰণ কৰে। বাণিজ্যৰ বাবে অতিৰিক্ত সামগ্ৰী উৎপাদন নহয়।

সমীক্ষাৰ পৰা দেখা গৈছে যে ৰেচম পাম, বয়ন শিল্প, বাঁহ-বেতৰ শিল্প আদিৰ ক্ষেত্ৰত এলেকাটোত প্ৰচুৰ সম্ভাৱনা আছে।

প্ৰকল্প এলেকাত দেখা গৈছে যে গৰিষ্ঠসংখ্যক লোকৰ মাটিৰ পৰিমাণ ২ৰ পৰা ১০ বিঘা। এইটোও স্পষ্ট হৈছে যে লোকসকলৰ অধীনত থকা মাটিৰ পাৰিমাণ আৰু আৰু জীৱিকাৰ কৌশলে কোনো এটা শ্ৰেণীৰ বা কোনো এটা পৰ্যায়ত অধিক আয় হোৱাটো স্পষ্ট কৰা নাই। অধিক মাটিৰ গৰাকী হোৱাটোৱে কৃষিক্ষেত্ৰৰ পৰা অধিক আয় কৰাটো নিশ্চিত কৰা নাই।

ইয়াৰ পৰা দেখা যায় যে জীৱিকাৰ বিকল্পৰ বাবে বাঁহ-বেতৰ উদ্যোগ, কাপোৰ চিলাই আৰু অন্যান্য অকৃষিজাত কৰ্মৰ বাবে দক্ষতা বিকাশৰ আৱশ্যকতা আছে।

দীৰ্ঘম্যাদী জীৱিকাৰে স্থানীয় লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ য'ত জীৱিকাৰ বিকল্পৰ প্ৰতি ভাবুকিৰো সৃষ্টি নহয়, তেনে ক্ষেত্ৰত শিক্ষাই লক্ষ্যত উপনীত হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সকলো লোকৰ বাবে শিক্ষাৰ সুযোগ এনে হোৱা উচিত যাতে দৰিদ্ৰতা নিৰ্মূল আৰু সামাজিক সবলীকৰণত উপযোগী হয়।

প্ৰকল্প এলেকাত দেখা গৈছে যে ইয়াত উচ্চ শিক্ষা আহৰণৰ সুবিধা নাই। অঞ্চলটোত উদ্যমিতা বিকাশৰ বাবে প্ৰয়োজনীয় দক্ষতা বৃদ্ধিৰ শিক্ষাক উদগনি যোগাবলৈ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থা আগবঢ়োৱাৰ আৱশ্যকতা আছে।

সফল সমাজৰ বাবে তথ্য আদান-প্ৰদানৰ উৎসই হৈছে সফলতাৰ মূল চাবিকাঠী। হয়তো বনাঞ্চলীয় এলেকা পিছপৰাৰ ই এক অন্যতম কাৰণ, য'ত তথ্য আহৰণৰ সুবিধা নাই। প্ৰকল্প এলেকাত কেৱল মাত্ৰ ৰেডিঅ' যন্ত্ৰৰ বাদে আন সুবিধা নাই। স্থানীয় জনসাধাৰণক তথ্য প্ৰদানৰ ক্ষেত্ৰত বন বিভাগৰো অৱহেলা দেখা যায়। তথ্যৰ আদান-প্ৰদান ব্যৱস্থাটো অতি গুৰুত্বপূৰ্ণ এই কাৰণেই যে উন্নতমানৰ জীৱিকাৰ সুযোগেৰে আধুনিক সমাজৰ সৈতে যাতে তেওঁলোকে খোজত খোজ মিলাই আগবাঢ়িব পাৰে।

অঞ্চলটোৰ জনসমূদায়ৰ সাংস্কৃতিক আৰু পৰম্পৰাই তেওঁলোকক চহকী কৰিছে। প্ৰকল্প এলেকাৰ জনসাধাৰণৰ সংস্কৃতি আৰু পৰম্পৰাৰ উচ্চ মানে এলেকাটোলৈ পৰ্যটনৰ পূৰ্ণ সম্ভাৱনা কঢ়িয়াইছে।

প্ৰকল্প এলেকাত পুৰুষসকলৰ অধিকাংশই কৃষিকৰ্মৰ বাবে প্ৰয়োজনীয় মাটিৰ প্ৰস্তুতকৰণ, হাল বোৱা, বীজ সিঁচা আৰু শস্য চপোৱা আদি ভিন্ন কামত জড়িত হয়। আনহাতে, মহিলাসকলে ৰন্ধন কাৰ্য, শিশুৰ প্ৰতিপালন তথা পশুপালনৰ কাম-কাজত জড়িত হোৱা দেখা যায়। অতি গুৰুত্বপূৰ্ণ বিষয় যে স্থানীয় জনসাধাৰণৰ বাবে দৈনন্দিন জীৱিকাৰ লগতে অতিৰিক্ত উপাৰ্জনক্ষম দক্ষতা বিকাশ কৰ্ম সম্পৰ্কে পাৰস্পৰিক অংশগ্ৰহণৰ বিষয়টো বিশ্লেষণ কৰিব পাৰি।

মানৱ সম্পদৰ বিষয়টো পৰ্যালোচনা কৰাৰ ক্ষেত্ৰত শ্ৰম মজুৰিৰ বাবে প্ৰব্ৰজন ঘটাটো এটা গুৰুত্বপূৰ্ণ বিষয়। উন্নতমানৰ জীৱিকাৰ সুযোগৰ সন্ধানত কোনো অঞ্চলৰ পৰা বা অঞ্চলটোলৈ প্ৰব্ৰজনৰ ঘটনা সংঘটিত হ'ব পাৰে। অৱশ্যে প্ৰকল্প এলেকাটোৰ পি আৰ এ অনুশীলনত এনে প্ৰব্ৰজনৰ ঘটনা জ্ঞাত হোৱা নাই। ইয়াৰ মূল কাৰণ হৈছে এলেকাটোত উচ্চ শিক্ষিত ব্যক্তিৰ অভাৱ। শিক্ষাই প্ৰব্ৰজনৰ বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উচ্চ শিক্ষাই জনসাধাৰণক উন্নতমান জীৱিকাৰ সন্ধানত প্ৰব্ৰজন ঘটোৱাত উদগনি যোগায়। অঞ্চলটোত তেনে ধৰণৰ ঘটনা বিশেষ গুৰুত্বপূৰ্ণ নহয়।

**বিত্তীয় মূলধন** ঃ অৰ্থনৈতিক আৰু বিত্তীয় মূলধনে ব্যক্তিৰ মূল ভেটি যেনে— নগদ ধন, ঋণ, সঞ্চয়, অন্যান্য সম্পদ, আন্তঃগাঁথনি, উৎপাদনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আৰু প্ৰযুক্তিগত সম্পদ আদিক দৰ্শায়। প্ৰকল্প এলেকাত দেখা গৈছে যে সীমিতসংখ্যক লোক (মুঠ আৱাসীৰ ২ শতাংশ)ৰহে বেংকত একাউণ্ট আছে। অন্যান্য সা-সুবিধা যেনে— স্বাস্থ্য বীমা, শস্য বীমা, বেংক ঋণ অথবা ক্ষুদ্ৰ বিত্তীয় ঋণ আদি নাই। এইক্ষেত্ৰত লোকসকলৰ জীৱিকাৰ ছবিখন উন্নত কৰিবলৈ হ'লে উল্লেখিত সা-সুবিধাসমূহ আগবঢ়াই তেওঁলোকৰ অৰ্থনৈতিক আৰু বিত্তীয় মূলধনৰ অৱস্থাটো উন্নত কৰাৰ আৱশ্যকতা আছে।

**জীৱিকাৰ ধৰণ** ঃ গুঁইজান ই ডি চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান
(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত
(গ) সম্ভাব্য জীৱিকা সম্পৰ্কত অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

## ৪ জীৱিকা বিকাশ পৰিকল্পনা

**আয় বৃদ্ধিৰ কাৰ্যব্যৱস্থা** ঃ গাঁওখনৰ আয় বৃদ্ধিৰ মূল পৰিকল্পনাসমূহ—

**কৃষি খণ্ডত**

(ক) হাঁহ-কুকুৰা আৰু ছাগলী পালন
(খ) মীনপালন।
(গ) উদ্যান শস্য (চাহ)।

**অকৃষি খণ্ডত**

(ক) পৰ্যটন
(খ) চিলাই আৰু এম্ব্ৰইডাৰী

**এছ এইচ জিৰ কৰ্মৰাজি** ঃ নিম্নোক্ত কাৰ্যব্যৱস্থাসমূহ এছ এইচ জিয়ে গাঁওখনত পালন কৰিব পাৰে—
(ক) ঔদ্যোগিক সজাগতা বৃদ্ধি।
(খ) যুটীয়া দায়বদ্ধতা গোট গঠন।
(গ) জীৱিকাৰ কৰ্মত গাঁওবাসীক উমৈহতীয়াভাৱে জড়িত কৰোৱা।

**জ্ঞান বৃদ্ধিৰ বাবে ভ্ৰমণ** ঃ নিম্ন পৰিকল্পনাসমূহ বিবেচনাধীন।

**নিৰ্ধাৰিত কাৰ্যব্যৱস্থাৰ সাৰাংশ** ঃ পৰৱৰ্তী পৃষ্ঠাত সন্নিৱিষ্ট কৰা হৈছে।

**সু-সংহতকৰণ** ঃ পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা বিষয়বোৰ ভাৰত চৰকাৰৰ আঁচনিসমূহত সু-সংহতভাৱে একাকীকৰণ কৰিব পৰা যায়।
(ক) গ্ৰাম্য নিয়োগৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি।
(খ) কৃষি আৰু ইয়াৰ সহযোগী ক্ষেত্ৰৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা।
(গ) জলাশয় বিকাশ, জলসিঞ্চনৰ বাবে ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা।
(ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান।
(ঙ) দক্ষতা বিকাশ আঁচনি।
(চ) অন্যান্য আঁচনিৰ পৰা উপযুক্ত বিবেচিত হোৱা জীৱিকা বা গ্ৰামোন্নয়নৰ অন্যান্য আঁচনিকো সামৰি লোৱা। বৰ্তমান পৰিকল্পনাত ওপৰোক্ত সু-সংহত আঁচনিয়ে দীৰ্ঘম্যাদী ফলাফল প্ৰদান কৰিব।
(ছ) ডি আৰ ডি এৰ দ্বাৰা এমজিএনৰেগা/জবকাৰ্ডৰ কাম।
(জ) জুই খৰিৰ বিকল্পৰ বাবে উজ্জ্বলা আঁচনিৰ সংযোগকৰণ।

উল্লেখিত কাৰ্য আঁচনিয়ে এটা সুসংহত ব্যৱস্থা বাহাল কৰাৰ লগতে প্ৰকল্পৰ পৰৱৰ্তী পৰ্যায়ত দীৰ্ঘম্যাদী কাৰ্য আঁচনিত সহায়ক হৈ উঠিব।

## ৫. নতুন ৰঙাগড়া ই ডি চিৰ কাৰ্য আঁচনি (ক) ই পি এ

| ক্রঃ নং | বিষয় | একক | একক ব্যয় | মুঠ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | ই ডি চি এলেকাত পৰিৱেশ অনুকূলীয় আৱাস নিৰ্মাণ | ৫ | ৫ এল | ২৫ এল | ৰাজহ সংগ্ৰহৰ বাবে ই ডি চিৰ দ্বাৰা ব্যৱস্থাপনা |
| ২ | যন্ত্রচালিত নাও নিৰ্মাণ | ৩ | ১০ এল | ৩০ এল | পৰ্যটনৰ বাবে আৰু বানপানীৰ সময়ত উদ্ধাৰ কাৰ্যৰ বাবে |
| ৩ | বয়ন কেন্দ্ৰ নিৰ্মাণ | ১ | ২৫ এল | ২৫ এল | তলৰ মহলাত প্ৰশিক্ষণ আৰু উৎপাদন আৰু প্ৰথম মহলা প্ৰেক্ষাগৃহ হিচাপে |
| ৪ | ওখ পথ নিৰ্মাণ | ৪ | ৫ এল | ২০ এল | বৰ্তমানৰ পথসমূহ শিল-বালিৰে পুনৰ নিৰ্মাণ কৰা |
| ৫ | গাঁওবাসীৰ বাবে বাচন-বৰ্তন ক্ৰয়<br>১. চকী<br>২. প্লাষ্টিক টেবুল<br>৩. ৰন্ধা বাচন<br>৪. টাৰপলিন | <br>১০০<br>৩০<br>এল এছ<br>৫ | <br>০.০৪<br>০.১০<br>০.৫০<br>০.০৫ | <br>০.৪০<br>০.৩০<br>০.৫০<br>০.২৫ | ই ডি চিৰ সদস্যসকলে ব্যক্তিগত অথবা ৰাজহুৱা অনুষ্ঠানত ভাৰা আদায় দি ব্যৱহাৰ কৰিব পাৰিব |
| ৬ | যুৱকৰ বাবে খেলৰ সামগ্ৰী ক্ৰয়<br>১. ফুটবল<br>২. ভলীবল<br>৩. ক্ৰিকেটৰ সামগ্ৰী<br>৪. কাৰ্পেট<br>৫. প্ৰয়োজনীয় সামগ্ৰী | <br>৫<br>৪<br>১<br>১<br>২ | <br>০.০১<br>০.০০৫<br>০.১৫<br>০.৩০<br>০.১০ | <br>০.০৫<br>০.০২<br>০.১৫<br>০.৩০<br>০.১০ | যুৱ সমাজক ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত উদগনি যোগোৱা |
| ৭ | ট্ৰেক্টৰ সংগ্ৰহ | ১ | ৭ এল | ৭ এল | আয় বৃদ্ধিৰ বাবে কৃষিকৰ্মত ভাৰালৈ দিয়া |
| | মুঠ | ১ | ৭ এল | ১৭২.২ এল | |

## নতুন ৰঙাগড়া ই ডি চিৰ কাৰ্য আঁচনি (খ) ই পি এ

| ক্ৰঃ নং | বছৰ | কাৰ্য আঁচনি | একক | একক ব্যয় | আৰ্হি | মুঠ | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১ | প্ৰথম বছৰ | অংশগ্ৰহণকাৰীৰ ক্ষুদ্ৰ আঁচনি | ১ | ১০০০০০.০০ | পি আৰ এ, সমীক্ষা | ১০০০০০.০০ | |
| ২ | | সজাগতা বৃদ্ধি | ২ | ২০০০০.০০ | সজাগতা আঁচনি | ৪০০০০.০০ | |
| ৩ | | টেইলৰিং এম্ব্ৰইডাৰী প্ৰশিক্ষণ | ৩০ | | ৪০ দিন | ২০০০০০.০০ | |
| ৪ | | বয়ন প্ৰশিক্ষণ | ৩০ | | ৪০ দিন | ২০০০০০.০০ | |
| ৫ | | আধুনিক যন্ত্ৰপাতি যোগান | ৬০ | ৫০০০.০০ | | ৩০০০০০.০০ | |
| | | মুঠ | | | | ৮৪০০০০.০০ | |

| ক্ৰঃ নং | বছৰ | কাৰ্য আঁচনি | একক | একক ব্যয় | আৰ্হি | মুঠ | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১ | দ্বিতীয় বছৰ | এছ এইচ জি, ছ'চাইটী, এন জি অ', উৎপাদক, কোম্পানী আদি গঠনৰ বাবে সজাগতাঅভিযান | ২ | ৫০০০০.০০ | সমবায় বিশেষজ্ঞৰ দ্বাৰা চাৰিদিনীয়া সজাগতা শিবিৰ | ১০০০০০.০০ | |
| ২ | | ক্ষুদ্ৰ প্ৰতিষ্ঠানৰ বাবে প্ৰশিক্ষণ | ২ | ৫০০০০.০০ | তিনিদিনীয়া প্ৰশিক্ষণ আঁচনি | ১০০০০০.০০ | |
| ৩ | | আত্মনিয়োজন আৰু নিয়োগৰ বাবে যোগসূত্ৰ স্থাপন সম্পৰ্কীয় পৰামৰ্শ | ২ | ৫০০০০.০০ | চি এম এলৰ বিশেষজ্ঞৰ দ্বাৰা বছৰজোৰা সহযোগ | ১০০০০০.০০ | |
| ৪ | | যোগাযোগকাৰীৰে সম্পৰ্ক উন্নীতকৰণ | ২ | ৫০০০০.০০ | দহদিনীয়া বহুমুখী প্ৰশিক্ষণ | ১০০০০০.০০ | |
| ৫ | | উৎপাদন আৰ প্ৰসংস্কৰণ ক্ষমতা উন্নীতকৰণ | ২ | ১৩০০০০.০০ | | ২৬০০০০.০০ | |
| | | মুঠ | | | | ৬৬০০০০.০০ | |

| ক্ৰঃ নং | বছৰ | কাৰ্য আঁচনি | একক | একক ব্যয় | আৰ্হি | মুঠ | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১ | তৃতীয় বছৰ | প্ৰতিষ্ঠানগত ক্ৰেতা/ চৰকাৰী প্ৰতিষ্ঠানৰে বছৰজোৰা যোগসূত্ৰ | ২ | ৮০০০০.০০ | ক্ৰেতা-বিক্ৰেতাৰ বাবে মঞ্চ গঠন, দুই দিনীয়া মত বিনিময় | ১৬০০০০.০০ | |
| ২ | | বছৰজোৰা বন বজাৰ | ২ | ১০০০০০.০০ | বন বজাৰৰে যোগাযোগ | ২০০০০০.০০ | |
| ৩ | | প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | ১২০০০০.০০ | বন বিভাগৰ মাধ্যমেৰে প্ৰদৰ্শনীত অংশগ্ৰহণ | ১২০০০০.০০ | |
| ৪ | | অন্য ভৌগোলিক বজাৰৰে যোগসূত্ৰ | ২ | ১২০০০০.০০ | ভ্ৰমণ | ২৪০০০০.০০ | |
| ৫ | | প্ৰচাৰ | ২ | ৬০০০০.০০ | বজাৰ বিশেষজ্ঞৰ দ্বাৰা দুই দিনীয়া প্ৰশিক্ষণ/ সজাগতা অভিযান | ১২০০০০.০০ | |
| | | মুঠ | | | | ৮৪০০০০.০০ | |

| ক্রঃ নং | বছৰ | কাৰ্য আঁচনি | একক | একক ব্যয় | আৰ্হি | মুঠ | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১ | চতুৰ্থ বছৰ | খাদ্য প্ৰসংস্কৰণৰ প্ৰশিক্ষণ | ৩০ | | ৪০ দিন | ২০০০০০.০০ | |
| ২ | | ইলেক্ট্ৰিচিয়ানৰ প্ৰশিক্ষণ | ৩০ | | ৪০ দিন | ২০০০০০.০০ | |
| ৩ | | আধুনিক যন্ত্ৰপাতিৰ যোগান | ৬০ | ৫০০০.০০ | | ৩০০০০০.০০ | |
| ৪ | | প্ৰদৰ্শন অংশগ্ৰহণ | ১ | ১২০০০০.০০ | বন বিভাগৰ সহযোগত প্ৰদৰ্শনীত অংশগ্ৰহণ | ১২০০০০.০০ | |
| ৫ | | অন্য ভৌগোলিক বজাৰৰ সৈতে সংযোগ | ২ | ১২০০০০.০০ | ভ্ৰমণ | ২৪০০০০.০০ | |
| | | মুঠ | | | | ১০৬০০০০.০০ | |

| ক্রঃ নং | বছৰ | কাৰ্য আঁচনি | একক | একক ব্যয় | আৰ্হি | মুঠ | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১ | পঞ্চম বছৰ | যোগাযোগকাৰীৰে সম্পৰ্ক উন্নীতকৰণ | ২ | ৫০০০০.০০ | ১০ দিনীয়া প্ৰশিক্ষণ | ১০০০০০.০০ | |
| ২ | | উৎপাদন আৰু প্ৰসংস্কৰণ ক্ষমতাৰ উন্নীতকৰণ | ২ | ১৩০০০০.০০ | | ২৬০০০০.০০ | |
| ৩ | | প্ৰদৰ্শন অংশগ্ৰহণ | ১ | ১২০০০০.০০ | বন বিভাগৰ সহযোগত প্ৰদৰ্শনীত অংশগ্ৰহণ | ১২০০০০.০০ | |
| ৪ | | অন্য ভৌগোলিক বজাৰৰ সৈতে সংযোগ | ২ | ১২০০০০.০০ | ভ্ৰমণ | ২৪০০০০.০০ | |
| ৫ | | সেৱা ব্যৱস্থাপনাৰ প্ৰশিক্ষণ | ১ | ২০০০০০.০০ | | ২০০০০০.০০ | |
| | | মুঠ | | | | ৯২০০০০.০০ | |

## ৫ বছৰীয়া কাৰ্য আঁচনিৰ মূল সাৰাংশ

| ক্ৰঃ নং | বছৰ | কাৰ্য আঁচনি | একক | মূল্য |
|---|---|---|---|---|
| ১ | প্ৰথম বছৰ | অংশগ্ৰহণকাৰীৰ ক্ষুদ্ৰ পৰিকল্পনা | ১ | ৮৪০০০০.০০ |
| | | সজাগতা বৃদ্ধি | ২ | |
| | | দক্ষতা বিকাশৰ প্ৰশিক্ষণ | ৩০ | |
| | | দক্ষতা বিকাশৰ প্ৰশিক্ষণ | ৩০ | |
| | | আধুনিক যন্ত্ৰপাতিৰ যোগান | ৬০ | |
| ২ | দ্বিতীয় বছৰ | এছ এইচ জি, ছ'চাইটী, এন জি অ', উৎপাদক আদি গঠনৰ বাবে সজাগতা অভিযান শিবিৰ | ২ | ৬৬০০০০.০০ |
| | | ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানৰ বাবে প্ৰশিক্ষণ | ২ | |
| | | আত্মনিয়োজন আৰু নিয়োগৰ বাবে যোগসূত্ৰ স্থাপন সম্পৰ্কীয় পৰামৰ্শ | ২ | |
| | | যোগাযোগকাৰীৰে সম্পৰ্ক উন্নীতকৰণ | ২ | |
| | | উৎপাদন আৰু প্ৰসংস্কৰণ ক্ষমতাৰ উন্নীতকৰণ | ২ | |
| ৩ | তৃতীয় বছৰ | প্ৰতিষ্ঠানগত ক্ৰেতা/চৰকাৰী প্ৰতিষ্ঠানৰে বছৰজোৰা যোগাযোগ | ২ | ৮৪০০০০.০০ |
| | | বন বজাৰ স্থাপন- বছৰজোৰা | ২ | |
| | | প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | |
| | | ভৌগোলিক বজাৰৰে সম্পৰ্ক | ২ | |
| | | প্ৰচাৰ ইত্যাদি | ২ | |
| ৪ | চতুৰ্থ বছৰ | দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ | ৩০ | ১০৬০০০০.০০ |
| | | দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ | ৩০ | |
| | | আধুনিক যন্ত্ৰপাতিৰ যোগান | ৬০ | |
| | | প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | |
| | | ভৌগোলিক বজাৰৰে সম্পৰ্ক | ২ | |
| ৫ | পঞ্চম বছৰ | যোগাযোগকাৰীৰে সম্পৰ্ক উন্নীতকৰণ | ২ | ৯২০০০০.০০ |
| | | উৎপাদন আৰু প্ৰসংস্কৰণ ক্ষমতা উন্নীতকৰণ | ২ | |
| | | প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | |
| | | ভৌগোলিক বজাৰৰে সম্পৰ্ক | ২ | |
| | | মুঠ দক্ষতা বিকাশ | | ৪৩২০০০০.০০ |
| | | মুঠ ই পি এ | | ১৭২২০০০০.০০ |
| | | সৰ্বমুঠ | | ২১৫৪০০০০.০০ |

## ৬ বনাঞ্চল বিকাশ আঁচনি

নতুন ৰঙাগড়া ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অধীনত গাঁও পৰ্যায়ত চলোৱা বিশদ পি আৰ এ অনুশীলনৰ পাছত বনাঞ্চল বিকাশ আঁচনিখন প্ৰস্তুত কৰা হয়। ইয়াৰ মূল লক্ষ্য হৈছে জৈৱ বৈচিত্ৰ্য আৰু বন সংৰক্ষণ কৰা, পাৰিপাৰ্শ্বিক ভাৰসাম্যতা ৰক্ষা আৰু ই ডি চিৰ দায়িত্বত বনাঞ্চলত উৎপাদন বৃদ্ধি কৰা। এইক্ষেত্ৰত সুসংহত ব্যৱস্থাপনাৰে বনাঞ্চলীয় লোকৰ জীৱিকাৰ আৱশ্যকতাৰ প্ৰতিও সমানেই লক্ষ্য ৰখা।

**১. জে এফ এম চিৰ বনাঞ্চলৰ স্থিতি**— এই ক্ষুদ্ৰ পৰিকল্পনাই নতুন ৰঙাগড়া ই ডি চিৰ অধীনত বনাঞ্চলৰ নিম্নলিখিত বিষয়সমূহ বিবেচনা কৰে।

(ক) বন বিভাগে ই ডি চিক দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাসমূহ।

(খ) ঘোষিত এলেকাৰ বাহিৰৰ মাটি অথবা জনসমুদায়টোৰ নিজাববীয়া মাটিত বৃক্ষৰোপণ কৰা এলেকা বা কৰিবলগীয়া এলেকাসমূহ। ই ডি চিৰ বনাঞ্চলসমূহৰ উল্লিখিত শ্ৰেণী দুটাৰ স্থিতিৰ ওপৰত তলত আলোচনা কৰা হ'ল—

**১.১ বনাঞ্চল আৰু ইয়াৰ বৰ্তমান অৱস্থা ঃ** ক্ষুদ্ৰ পৰিকল্পনা আঁচনিৰ অতিৰিক্ত তালিকা সূচীত সংলগ্ন বনাঞ্চল উন্নয়ন আঁচনি শীৰ্ষক **প্ৰ-পত্ৰ নং- ৩ৰ তালিকা নং- ৩.১** ই ডি চিৰ দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাৰ স্থিতিৰ বৰ্ণনা দিয়া হৈছে। অন্যান্য এলেকাত বৃক্ষৰোপণ কৰা ক্ষেত্ৰ আৰু বৃক্ষৰোপণ কৰিবলগীয়া ক্ষেত্ৰসমূহৰ স্থিতি মূল্যায়ন কৰাৰ পাছত নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চলৰ সবিশেষ সাৰাংশ উল্লেখ কৰা হ'ল—

**তালিকা নং-১** নতুন ৰঙাগড়া ই ডি চিৰ সংৰক্ষিত বনাঞ্চলৰ স্থিতি—

| চিহ্নিত এলেকা | ই ডি চি বনাঞ্চল এলেকা (হেক্টৰ) | গাঁৰৰ পৰা দূৰত্ব (কিঃমিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল- ৪০%তকৈ অধিক ঘন বনাঞ্চলৰ বাদে হতাশাজনক) | বৃক্ষৰোপণৰ ধৰণ | ব্যৱহাৰ |
|---|---|---|---|---|---|
| (ক) দায়িত্ব অৰ্পণ কৰা বনাঞ্চল | ৫০০ হেক্টৰ | | | | |
| ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, গুঁইজান বন্যপ্ৰাণী সংমণ্ডল | | ০-১.৫ কিঃ মিঃ | নদীকাষৰীয়া- নতুনকৈ গঠিত মাটিকালি আৰু চৰ এলেকা | বন্যপ্ৰাণীৰ বাবে খাদ্য ইত্যাদি - | |
| (খ) অন্যান্য বৃক্ষৰোপণ হোৱা ঠাই বা এলেকা | | | | | |
| | | | ভাল এলেকা ঃ নাই<br>হতাশাজনক এলেকা ঃ নাই | | |
| মুঠ | | | | | |

**উৎস ঃ প্ৰপত্ৰ- ৩, তালিকা ৩.১/** অঞ্চলটোৰ সদস্যসকল আৰু বন বিভাগৰ সৈতে আলোচনামৰ্মে।

দেখা যায় যে নতুন ৰঙাগড়া ই ডি চিৰ অধীনত ৫০০ হেক্টৰ বনাঞ্চল আছে। যাৰ ভিতৰত ১৬০ হেক্টৰ মাটি ভাল বুলি বিবেচিত আৰু বাকী ৫০ হেক্টৰ মাটি এলেকা হতাশাজনক স্থিতিৰ।

**১.২ ঃ বনাঞ্চলৰ মাটিৰ ধৰণ ঃ**

নতুন ৰঙাগড়া ই ডি চি এলেকাধীন বনাঞ্চলৰ মাটি পলসযুক্ত। তলৰ তালিকাখনত বনাঞ্চলটোৰ মাটিৰ ধৰণবোৰ দাঙি ধৰা হ'ল—

**তালিকা নং- ২ ঃ** নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চলীয় মাটিৰ বিৱৰণ—

| গুণাগুণৰ জোখ-মাপ | বনাঞ্চৰৰ স্থিতি | বৃক্ষৰোপণ কৰা অন্যান্য মাটিৰ স্থিতি |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ৰ পৰা ২.৯৪ শতাংশ জৈৱিক N, P205 আৰু K20 আদি কম | |
| খহনীয়াৰ স্থিতি | | — |
| উপস্থিতি ঃ | | |
| গেদ | ২৪ শতাংশ | — |
| বোকা-পলস | ৩১ শতাংশ | — |
| নতুন সংযোজিত মাটি | ১৫ শতাংশ | — |
| বালিময় টিলা | ৪৫ শতাংশ | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩** '(খ) বনাঞ্চলৰ মাটিৰ ধৰণ'/স্থানীয় সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

নতুন ৰঙাগড়া ই ডি চিৰ বাবে বনাঞ্চলটোৰ মাটিৰ ধৰণসমূহত মূল লক্ষণবোৰৰ সাৰাংশ—

(ক) এণ্টিছ'ল (৩০.৩ শতাংশ)।

(খ) ইনছেপ্টিছ'ল (৫১.৩ শতাংশ)।

(গ) এলফিছ'ল (১১.৩ শতাংশ)।

(ঘ) আল্টিছ'ল (৭.১ শতাংশ)।

**১.৩ ঃ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ—**

নতুন ৰঙাগড়া ই ডি চিৰ অন্তৰ্গত বনাঞ্চলত তলত উল্লেখ কৰা উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ বিদ্যমান। উল্লেখ্য যে স্থানীয় অৰণ্য এলেকা চিৰসেউজ বনাঞ্চলত শ্ৰেণীবদ্ধ কৰা হৈছে।

**তালিকা নং- ৩ ঃ নতুন ৰঙাগড়া ই ডি চিৰ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ**

| গুণাগুণৰ জোখ-মাপ | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| প্ৰধান অৰণ্য প্ৰজাতি | হলক | |
| অন্য প্ৰজাতি | গমাৰী | গোমেলিনা আৰবৰিয়া |
| জোপোহা ঘাঁহনি, বন | ঢেঁকীয়া | ফাৰ্নছ |
| | ভোট জলকীয়া | কেপচিকাম চিনেন্স |
| ঔষধি গছ | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | শিলিখা | টাৰমিনালিয়া চেবুলা |
| | নিম | আজাডাইৰাক্টা ইণ্ডিকা |
| | আমলখি | ফিল্লান্থাছ ইম্লিকা |
| উৎপাদন | | |

| | | |
|---|---|---|
| অন্যান্য | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জতি বেত | কেলামাছ টেনুইছ |
| | ৰাইদাং বেত | কেলামাছ ৰোটাং |
| | চুলি বেত | কেলামাছ ফ্লেজলাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবুণ্ডাছ |
| | কাকো বাঁহ | ডি. হামিল্টনী |
| | পাহাৰী জাতি বাঁহ | অক্সিটেনথেৰা পাৰ্ভিফলিয়া |
| | দুলু বাঁহ | ছিজোষ্টাচিয়াম ডুল্লৱা |
| | আমলখি | এমব্লিকা অফিচিনালিছ |
| | হলখ | টাৰ্মিনালিয়া মাইৰিঅ'কাৰ্পা |
| | হোলং | ডিপ্টেৰ'কাৰপাছ মেক্র'কাৰপাছ |
| | অৰ্জুন | টাৰ্মিনালিয়া অৰ্জুন |
| | অগৰ | ইকুইৰাৰিয়া আগালছা |

**উৎস ঃ প্ৰ-পত্ৰ- ৩,** '(গ) উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ'/জনসমুদায়টোৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

**২. বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে আন বিষয়সমূহ—**

নতুন ৰঙাগড়া ই ডি চিৰ অধীনত বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে নিম্নোক্ত বিষয়সমূহ অন্তৰ্ভুক্তিৰ বাবে আলোচনা কৰা হয়—

**২.১ ই ডি চিয়ে বন সংৰক্ষণৰ বাবে পূৰ্বে লোৱা ব্যৱস্থাসমূহ—**

নতুন ৰঙাগড়া ই ডি চিয়ে বন সংৰক্ষণৰ বাবে মুঠতে লোৱা ব্যৱস্থাসমূহৰ সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত আলোচনা কৰা হয়—

**(ক) পৰিয়াল জড়িত ঃ** ৪৭৮ (প্ৰতি পৰিয়ালৰ এজনকৈ)

**(খ) ব্যক্তি জড়িত ঃ** ৪৭৮

**(গ) ব্যৱস্থাৱলীৰ সাৰাংশ ঃ** উপস্থিতি নাই

**(ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থাপনা ঃ** উপস্থিতি নাই।

**উৎস ঃ প্ৰ-পত্ৰ- ৩,** 'ই ডি চিৰ স্থিতি- viii + ix/ই ডি চিৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।

**২.২ ঃ বনজ উৎপাদনৰ পৰা ঘৰুৱা প্ৰয়োজনীয়তা**

তলত দিয়া তালিকামৰ্মে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সবিশেষ তথ্য দাঙি ধৰা হ'ল—

**তালিকা নং- ৪ (ক) ঃ নতুন ৰঙাগড়া ই ডি চিৰ অধীনস্থ এলেকাৰ প্ৰতি পৰিয়ালৰ বাবে বনজ উৎপাদনৰ ঘৰুৱা প্ৰয়োজনীয়তা—**

| বনজ উৎপাদনৰ নাম | প্ৰতি ঘৰৰ বাবে প্ৰয়োজনীয়তা | | বৰ্তমান কেনেদৰে সংগ্ৰহ | উৎসসমূহ |
|---|---|---|---|---|
| | কিমান সঘনে আৱশ্যক | আনুমানিক পৰিমাণ | | |
| কাঠ খৰি | সঘনাই | ৬০-৭৫ কেজি | বন্যপ্ৰাণী সংৰক্ষিত এলেকাৰ পৰা অন্যায়ভাৱে সংগ্ৰহ | কাষৰ সংৰক্ষিত এলেকা |
| ঘৰৰ বাবে কাঠ | বছৰি | ২ ডাল | | বনাঞ্চল |
| আন কাৰ্য সম্পাদনাৰ বাবে সৰু টুকুৰা কাঠ | — | — | — | — |
| খুঁটা/বাঁহ | মাহে | ২-৩ বাঁহ/মাহ | | ঘৰত উৎপন্ন |
| বনাঞ্চলৰ পৰা পশু খাদ্য | সঘনাই | ৫-৬ কেজি/ দৈনিক | | বনাঞ্চল |
| এনটিএফপি | সঘনাই | ২-৩ কেজি/ দৈনিক | | বনাঞ্চল |
| অন্যান্য | — | — | | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩ তালিকা নং- ৩.২/সমুদায়ৰ অন্যান্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ নতুন ৰঙাগড়া ই ডি চি এলেকাত ১১৬টা পৰিয়ালৰ ঘৰ আছে। ওপৰোক্ত তালিকা আৰু এই আৱাসৰ সংখ্যাৰ পৰা স্পষ্ট হৈছে যে নতুন ৰঙাগড়া গাঁৱত বনজ সম্পদৰ বাৰ্ষিক প্ৰয়োজনীয়তা তলত দিয়া ধৰণেৰে হয়—

**তালিকা নং- ৪ (খ) ঃ বনজ সম্পদৰ সৰ্বমুঠ ঘৰুৱা প্ৰয়োজনীয়তা গুইজান ই ডি চিৰ সকলো আৱাসী পৰিয়ালৰ বাবে—**

| বনজ উৎপাদনৰ নাম | সমুদায়টোৰ বাবে আৱশ্যক (কিঃগ্ৰাঃ/একক প্ৰতি বৰ্ষ) (*) | মন্তব্য |
|---|---|---|
| কাঠ খৰি | ১২০৭০০ | বছৰজুৰি |
| ঘৰৰ কাৰণে কাঠ | ৪৯৬ ডাল | ডিচেম্বৰ-জানুৱাৰী |
| আন কাৰ্যৰ বাবে সৰু কাঠ | | |
| খুঁটা-বাঁহ | ৭৩০ ডাল বাঁহ | ডিচেম্বৰ-জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশু খাদ্য | ১৪০৮০০ | বছৰজুৰি |
| এন টি এফ পি | ২০৪০০০ ডাল | বছৰজুৰি |
| অন্যান্য | — — | |

**উৎস ঃ তালিকা নং ৪** (ক) আৰু জনসমুদায়টোৰ তথ্যৰ আধাৰত মুঠ আৱাসৰ সংখ্যাৰ পৰা (*) = তালিকা নং ৪ (ক)ৰ পৰা আনুমানিক গড় হিচাপত প্ৰতি গৃহত প্ৰয়োজনীয়তা × ৬৫ আৱাস।

ঃ **২.৩ ঃ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন, সংগ্ৰহ আৰু বজাৰ ঃ**

ঘৰৰ ব্যৱহাৰৰ উপৰি গাঁওবাসীয়ে বনজ উৎপাদনৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰতো বিক্ৰী কৰে। নতুন ৰঙাগড়া ই ডি চিৰ অন্তৰ্গত গাঁওবাসীয়ে তলত দিয়া তালিকা অনুসৰি বনজ উৎপাদনৰ সংগৃহীত সামগ্ৰী বজাৰলৈ নিয়ে।

**তালিকা নং- ৫ (ক) ঃ নতুন ৰঙাগড়া ই ডি চিৰ গাঁওবাসীয়ে কৰা বনজ সম্পদৰ সংগৃহীত সামগ্ৰীৰ বাণিজ্যিকীকৰণ।**

| বনজ উৎপাদিত সামগ্ৰীৰ নাম | বজাৰৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু/মাহ | সংগ্ৰহ কৰা ঘৰৰ সংখ্যা | গড় অনুপাত সংগ্ৰহ (কেজি) | |
| কাঠ খৰি | বছৰজুৰি | ১৮৩ | ৪৩২০ কেজি | বনাঞ্চল |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | ডিচেঃ-জানুঃ | ১৮৩ | ৪ ডাল | বনাঞ্চল |
| অন্যান্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | ডিচেঃ-জানুঃ | ১৮৩ | ১৬ ডাল | বনাঞ্চল |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশু খাদ্য | বছৰজুৰি | ১৮৩ | ৮ কেজি/দৈনিক | বনাঞ্চল |
| এম টি এফ পি | বছৰজুৰি | ১৮৩ | ৯-১১কেজি/দৈনিক | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৩/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

এইক্ষেত্ৰত তলৰ তালিকাত অতিৰিক্ত সূচীত তথ্য সন্নিৱিষ্ট কৰা হৈছে—

**তালিকা নং- ৫ (খ) ঃ বনজ উৎপাদন সামগ্ৰীৰ সংগ্ৰহ আৰু বজাৰৰ অতিৰিক্ত তথ্য (নতুন ৰঙাগড়া ই ডি চি)**

| **বনজ উৎপাদিত সামগ্ৰী** | **অতিৰিক্ত বিক্ৰী (কেজি)** | **কেনেদৰে বিক্ৰী** | **গড় আয় প্ৰতি গৃহ, বনজ উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ পৰা** |
|---|---|---|---|
| কাঠ খৰি | ১১৭০০০ কেজি/বছৰ | স্থানীয় বজাৰত বিক্ৰী | ১৮০০-২১০০/মাহ |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | — | — | — |
| অন্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ২২-৪০ ডাল/মাহ | স্থানীয় বজাৰত বিক্ৰী | ৮০০-১২৫০/মাহ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশু খাদ্য | ১২০০ কেজি/বছৰ | স্থানীয় বজাৰত বিক্ৰী | ৯০০-১৪০০/মাহ |
| এন টি এফ পি | — | — | — |
| অন্যান্য | — | — | — |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৪/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ **২.৪ বনজ উৎপাদনৰ সৰ্বমুঠ আৱশ্যকীয়তা-ঘৰুৱা ব্যৱহাৰ আৰু বজাৰ বিপণন—** নতুন ৰঙাগড়া ই ডি চিৰ আৱাসী সদস্যসকলৰ দ্বাৰা ব্যৱহৃত বনজ উৎপাদন সামগ্ৰীৰ সৰ্বমুঠ প্ৰয়োজনীয়তাৰ মূল সাৰাংশ তলত উল্লেখ কৰা হ'ল— (ওপৰোক্ত উপ-খণ্ডসমূহৰ তথ্যৰ ভিত্তিত)

**উৎস ঃ তালিকা নং- ৪ (খ)** আৰু ৫ (খ) ইতিপূৰ্বে উল্লিখিত

ঃ **৩. সংৰক্ষিত এলেকাৰ সুৰক্ষা বিষয়সমূহ**

**৩.১ সংৰক্ষণৰ সমস্যাৱলী ঃ** নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চল সংৰক্ষণ সম্পৰ্কীয় সমস্যাসমূহৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল—

**তালিকা নং ৭ ঃ নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চলৰ সংৰক্ষণ সমস্যা—**

| সমস্যাৰ ধৰণ | আনুষংগিক সমস্যা আছে/নাই | লেখত ল'বলগীয়া হয়/নহয় |
|---|---|---|
| ঘাঁহনি পথাৰ- স্থানীয় পশুৰ বাবে | আছে | হয় |
| ঘাঁহনি পথাৰ- অন্য এলেকাৰ বাবে | আছে | হয় |
| অবৈধভাৱে গছ কটা | নাই | নহয় |
| কাঠৰ চোৰাং ব্যৱসায় | আছে | হয় |
| সংৰক্ষিত এলেকাৰ ভূমি দখল | আছে | মূলতঃ মিচিং জনগোষ্ঠীয় গাঁওবাসীয়ে নিজৰ দখলীকৃত মাটি বঢ়াই লৈছে |
| সাপে কামোৰা/জীৱনৰ ভাবুকি আদি বন সংৰক্ষণৰ সময়ত অহা ভাবুকি | আছে | হয় |
| ঔষধি গছ চুৰি | আছে | হয় |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৫/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

ঃ এতেকে উল্লিখিত ই ডি চিয়ে সন্মুখীন হোৱা বন সংৰক্ষণ বিষয়ক লেখত ল'বলগীয়া সমস্যাৰ কথাকেইটা হ'ল—

(ক) স্থানীয় পশু ধনৰ বাবে চৰণীয়া ঘাঁহনি পথাৰ।

(খ) অন্যান্য এলেকাৰ পৰা অহা পশুধনৰ বাবে ঘঁহানি পথাৰ।

**৩.২ সুৰক্ষিত এলেকা হ্ৰাসৰ কাৰণ—**

নতুন ৰঙাগড় ই ডি চি এলেকাৰ বনাঞ্চল হ্ৰাস হোৱাৰ কাৰণ—

(ক) ধনৰ অভাৱত বন ব্যৱস্থাপনা কাৰ্যকৰী নকৰা।

(খ) জনগোষ্ঠীয় লোকে পৰম্পৰাগতভাৱে কৃষিকৰ্মত নিয়োজিত হোৱা।

(গ) সংৰক্ষিত এলেকাত উগ্ৰপন্থী সমস্যা।

(**উৎস** ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং ৩.৬/সমুদায়টোৰ সদস্যসকল আৰু বন বিভাগৰে আলোচনামৰ্মে)

**৪. সুৰক্ষিত এলেকা উন্নয়ন আঁচনিৰ বিষয়বস্তু ঃ**

নতুন ৰঙাগড়া ই ডি চিৰ বন উন্নয়ন আঁচনিৰ মূল বিষয়বস্তু সম্পৰ্কত তলৰ গাঁওসমূহে আলোচনা কৰিছে। যেনে— সংৰক্ষণৰ পৰিকল্পনা, বনাঞ্চলৰ বিকাশ (যাৱতীয় ব্যৱস্থা), গছপুলিৰ বিকাশ (নাৰ্ছাৰী), সামগ্ৰিক ব্যৱস্থাপনা আৰু অন্যান্য কাৰ্য ব্যৱস্থাপনা।

**৪.১ সংৰক্ষণ পৰিকল্পনা ঃ**

তলত উল্লেখ কৰা সংৰক্ষণ পৰিকল্পনাত নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থাপনাৱলী সম্পৰ্কত আলোচনা কৰা হৈছে, যিবোৰ ইতিমধ্যে উপখণ্ড ৩.১ত আলোচিত হৈছে—

**তালিকা নং- ৮, নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চল সংৰক্ষণ পৰিকল্পনা—**

| **সংৰক্ষণৰ কাম ঃ** প্ৰ-পত্ৰ-৩ত ধাৰ্য কৰামৰ্মে তালিকা নং ৩.৭ৰ পৰা গ্ৰহণযোগ্য হিচাপত পূৰ কৰিব লাগিব | **সংৰক্ষিত এলেকাৰ স্থান** | **ব্যৱস্থাপনাৱলীৰ নিৰ্দিষ্ট অৰ্হতা** (দীঘ, এলেকা, পৰিসৰ ইত্যাদি) | **সময়** | **অগ্ৰাধিকাৰ সৰ্বোচ্চ/মধ্যম/নিম্ন** |
|---|---|---|---|---|
| ১. চকীদাৰ নিযুক্তি | সংৰক্ষিত এলেকা | ৩ কিলোমিটাৰ | ৬ পিএম-৬ এএম | সৰ্বোচ্চ |
| ২. তথ্য দিওঁতাক পুৰস্কাৰ | সংৰক্ষিত এলেকা | ৩ কিলোমিটাৰ | সকলো সময়তে | সৰ্বোচ্চ |
| ৩. জুইৰ পৰা সুৰক্ষা | সংৰক্ষিত এলেকা | ৩ কিলোমিটাৰ | সকলো সময়তে | সৰ্বোচ্চ |

**উৎস ঃ** প্ৰ-পত্ৰ- ৩, তালিকা নং ৩.৭/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

এতেকে দেখা গৈছে যে তলত উল্লেখ কৰা ধৰণে নতুন ৰঙাগড়া ই ডি চিত (সৰ্বোচ্চ বা মধ্যম পৰ্যায়ৰ অগ্ৰাধিকাৰৰ ভিত্তিত) সংৰক্ষণ পৰিকল্পনাৰ কাৰ্যকৰী ব্যৱস্থা লোৱা উচিত—

(ক) সংৰক্ষণ বেহু।

(খ) বনজুইৰ পৰা সুৰক্ষা।

**৪.২ প্ৰস্তাৱিত কাৰ্যব্যৱস্থাৰ ধৰণ ঃ**

নতুন ৰঙাগড়া ই ডি চিৰ ক্ষয়িষ্ণু সুৰক্ষিত এলেকাৰ পুনৰুদ্ধাৰৰ বাবে ল'বলগীয়া সংৰক্ষণমূলক প্ৰস্তাৱিত ব্যৱস্থাসমূহ—

**তালিকা নং ৯ ঃ নতুন ৰঙাগড়া ই ডি চিত ল'বলগীয়া প্ৰস্তাৱিত কাৰ্যব্যৱস্থা**

| **পৰিচৰ্যা/প্ৰতিপালন** | **প্ৰয়োজন আছে/নাই** | **ই ডি চিৰ দায়িত্ব (আছে/নাই)** | **মাহ/বছৰ কেতিয়া কৰিব** | **প্ৰতিপালন কৰিবলগীয়া প্ৰস্তাৱিত এলেকা (হেক্টৰত)** |
|---|---|---|---|---|
| ক্ষয়িষ্ণু সুৰক্ষিত এলেকা পুনৰুদ্ধাৰ | আছে | আছে | জুন-জুলাই | ২০০ হেক্টৰ |
| জলাশয়ৰ পৰিচৰ্যা | আছে | আছে | গোটেই বছৰ | ২০ হেক্টৰ |
| জলাশয়ৰ সংৰক্ষণ | আছে | আছে | গোটেই বছৰ | ২০ হেক্টৰ |
| ঘাঁহ আৰু পশু খাদ্যৰ বাবে খেতিত অগ্ৰাধিকাৰ | আছে | আছে | গোটেই বছৰ | ১০০ হেক্টৰ |
| বাঁহ গছ ৰোপণ আৰু মাটি দিয়া | আছে | আছে | গোটেই বছৰ | ঘৰুৱা উৎপাদন |
| বীজ সিঁচা | আছে | আছে | গোটেই বছৰ | ৫০ হেক্টৰ |
| নিকোৰা/চপোৰা/সংৰোপণ | আছে | আছে | গোটেই বছৰ | — |
| কলম দিয়া | আছে | আছে | গোটেই বছৰ | — |
| শিলৰ বেৰ আদি | আছে | আছে | গোটেই বছৰ | ২০০ হেক্টৰ |
| সামাজিক বেৰ | আছে | আছে | গোটেই বছৰ | ২০০ হেক্টৰ |
| অন্যান্য (বন্যহস্তীৰ নিৰাপত্তা) | আছে | আছে | গোটেই বছৰ | আৰ এফ |

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং ৩.৯/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

এতেকে দেখা গ'ল যে নতুন ৰঙাগড়া ই ডি চিৰ বনাঞ্চল এলেকাত তলত উল্লেখ কৰা পৰিচৰ্যামূলক কাৰ্যব্যৱস্থাৰ প্ৰয়োজন আছে।—

(ক) বীজ সিঁচা।

(খ) বৃক্ষৰোপণ, নিকোৰা।

**৪.৩ বনাঞ্চল বিকাশ পৰিকল্পনা ঃ আগতীয়া কাম আৰু প্ৰস্তুতি ঃ**

ওপৰোক্ত বিষয়ত তলৰ তালিকাত দাঙি ধৰা হ'ল—

১. নিজৰ মাটিত ঔষধি গছ ৰোপণ

২. উল্লেখিত এলেকাধীন চৰ অঞ্চলত বৃক্ষৰোপণ আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ

**(উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং- ৩.৮/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)**

**৪.৪ বনাঞ্চল উন্নয়ন ঃ কাৰ্য ৰূপায়ণ আঁচনি— বাৰ্ষিক লক্ষ্য**

**৫. তালিকা ১০ (ক) আৰু (খ) ঃ নতুন ৰঙাগড়া ই ডি চিত বন উন্নয়নৰ বাৰ্ষিক লক্ষ্য (১-৫ বছৰ আৰু ৬-১০ বছৰ)**

উল্লেখিত লক্ষ্যৰ ওপৰত ভিত্তি কৰি ১০ বছৰীয়া পৰিকল্পনা তলত দাঙি ধৰা হ'ল—

বৃক্ষৰোপণ আঁচনিৰ নাম ঃ শালসহ অন্যান্য গছ খণ্ড খণ্ডকৈ ৰোপণ (ব্লক প্লেণ্টেচন)

বৃক্ষৰোপণৰ সময়-কাল ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬লৈ (১০ বছৰ)

বৃক্ষৰোপণ এলেকা ঃ ১০০ হেক্টৰ।

বৃক্ষৰোপণৰ ব্যৱধান ঃ ৩ মিঃ × ৩ মিঃ - ১,১০০ গছপুলি প্ৰতি হেক্টৰত

গছপুলি ৰোপণ প্ৰতি বছৰত ঃ ১,১০,০০০ (বাৰ্ষিক আনুমানিক ১১,০০০)

বৃক্ষৰোপণৰ বাবে খণ্ড এলেকা ঃ ১০টা (প্ৰতিটো খণ্ডত ১০ হেক্টৰকৈ)

প্ৰজাতি ঃ শালসহ গমাৰী, শিচু, তিতাচপা ইত্যাদি।

মূল্য ঃ এপিএফবিচিএছৰ দ্বাৰা নিৰ্ধাৰিত (প্ৰতি ২ বছৰত ২০ শতাংশ বৃদ্ধি)

| **বৃক্ষৰোপণ আঁচনিৰ বাবে কাৰ্যকৰী পৰিকল্পনা** | | |
|---|---|---|
| **বিত্তীয় বৰ্ষ** | **কাৰ্যব্যৱস্থা** | **মূল্য** |
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ বাবে উপযুক্ত ঠাই চিনাক্তকৰণ, প্ৰাকৃতিকভাৱে গছপুলি উৎপাদনৰ সম্ভাৱনীয়তা পৰীক্ষা, বতৰৰ প্ৰতিকূল প্ৰভাৱ বা ইয়াৰ চাপ নিৰ্ধাৰণ, ১০০ হেক্টৰৰ কম হ'ব নালাগিব। ডিচেম্বৰ-জানুৱাৰী মাহত মাটিৰ সীমা নিৰ্ধাৰণ, ৪টা খণ্ডত মাটিকালি ভাগ কৰা, মাটি চহোৰা বা উপযুক্ত ধৰণে বিকশাই তোলা, উৎপাদন কাৰ্যৰ বাবে ১০০০ টকা প্ৰতিহেক্টৰত। | ১০০০০০ |
| ২০১৭-১৮* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ × ৩ মিঃ, ১,১১১ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। | ৪৯৭০০০ |
| ২০১৮-১৯* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ × ৩ মিঃ, ১,১১১ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ | ৪৯৭০০০ |
| | **প্ৰথম** অলাগতিয়াল গছ-বন আঁতৰোৱা/নিকাকৰণ কৰা ঃ পূৰ্বৰ বছৰত ৰোপণ কৰা গছৰ অলাগতিয়াল ঠাল-ঠেঙুলি, অন্য মৃত বন-লতা আদি চাফা কৰা। | ৬১৬০০ |
| ২০১৯-২০* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ×৩ মিঃ ১,১১১ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ।<br>**দ্বিতীয়** অলাগতিয়াল গছ-বন আঁতৰোৱা/নিকাকৰণ কৰা ঃ পূৰ্বৰ বছৰত ৰোপণ কৰা গছৰ অলাগতিয়াল ঠাল-ঠেঙুলি, অন্য মৃত বন-লতা আদি চাফা কৰা। | ৫৯৬৪০০<br>৭৩৯২০ |
| ২০২০-২১* | খণ্ড এলেকাত বৃক্ষৰোপণ ৩ মিঃ×৩ মিঃ ১,১১১ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। | ৫৯৬৪০০ |
| | **তৃতীয়** নিকাকৰণ | ১৪৭৮৪০ |
| ২০২১-২২* | **চতুৰ্থ** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ২৬৬১১২ |

| | | |
|---|---|---|
| ২০২২-২৩* | **পঞ্চম** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ৩৫৪৮১৬ |
| ২০২৩-২৪* | **ষষ্ঠ** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ২৬৬১১২ |
| ২০২৪-২৫* | **সপ্তম** নিকাকৰণ। | ২৬৬১১২ |
| ২০২৫-২৬ * | **অষ্টম** নিকাকৰণ। | ২৬৬১১২ |
| | **মুঠ বিত্তীয় প্ৰয়োজনীয়তা** | ৩৯৮৯৪২৪ |

*** প্ৰতি ৫ বছৰৰ মূৰে মূৰে বনাঞ্চলৰ গুণমান ব্যৱস্থাপনাৰ বাবে নিকা কৰা আৱশ্যক।**

**উৎস ঃ প্ৰ-পত্ৰ- ৩, তালিকা নং ৩.১০/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে।**

বৃক্ষৰোপণ আঁচনিৰ নাম ঃ খণ্ড এলেকা বৃক্ষৰোপণ (ব্লক প্লেণ্টেচন)— টিক আদি গছৰ সৈতে আন খৰিৰ বাবে গছ আৰু বাঁহ গছ ৰোপণ।

বৃক্ষৰোপণৰ সময়-কাল ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬লৈ (১০ বছৰ)

বৃক্ষৰোপণ এলেকা ঃ ১০০ হেক্টৰ।

বৃক্ষৰোপণৰ ব্যৱধান ঃ ২ মিঃ × ২ মিঃ - ২,৫০০ গছপুলি প্ৰতি হেক্টৰত

গছপুলি ৰোপণ প্ৰতি বছৰত ঃ ১১০০০০ (বাৰ্ষিক আনুমানিক প্ৰায় ১১০০০)

বৃক্ষৰোপণৰ বাবে খণ্ডৰ সংখ্যা ঃ ১০টা ( ১০ হেক্টৰ হিচাপত)

প্ৰজাতি ঃ টিকসহ এজাৰ, কৰৈ, খয়েৰ, শিচু, জিয়া, অৰ্জুন, ঘোৰানিম, বাঁহ (জাতি, কাকো, ভলুকা, বিজুলী) ইত্যাদি।

| | **বৃক্ষৰোপণ আঁচনিৰ বাবে কাৰ্যকৰী পৰিকল্পনা** | |
|---|---|---|
| **বিত্তীয় বৰ্ষ** | **কাৰ্যব্যৱস্থা** | **মূল্য** |
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ বাবে উপযুক্ত ঠাই চিনাক্তকৰণ, প্ৰাকৃতিকভাৱে গছপুলি উৎপাদনৰ সম্ভাৱনীয়তা পৰীক্ষা, বতৰৰ প্ৰতিকূল প্ৰভাৱ বা ইয়াৰ চাপ নিৰ্ধাৰণ, ১০০ হেক্টৰৰ কম হ'ব নালাগিব। ডিচেম্বৰ-জানুৱাৰী মাহত মাটিৰ সীমা নিৰ্ধাৰণ, ৪টা খণ্ডত মাটিকালি ভাগ কৰা, মাটি চহোৰা বা উপযুক্ত ধৰণে বিকশাই তোলা, উৎপাদন কাৰ্যৰ বাবে ১০০০ টকা প্ৰতিহেক্টৰত। | ১০০০০০ |
| ২০১৭-১৮* | খণ্ড এলেকাত বৃক্ষৰোপণ ২ মিঃ × ২ মিঃ, ২৫০০ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। | ২৬২৫০০ |
| ২০১৮-১৯* | খণ্ড এলেকাত বৃক্ষৰোপণ ২ মিঃ × ২ মিঃ, ২৫০০ গছপুলি প্ৰতি হেক্টৰত এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ | ২৬২৫০০ |
| | **প্ৰথম** অলাগতিয়াল গছ-বন আঁতৰোৱা/নিকাকৰণ কৰা ঃ পূৰ্বৰ বছৰত ৰোপণ কৰা গছৰ অলাগতিয়াল ঠাল-ঠেঙুলি, অন্য মৃত বন-লতা আদি চাফা কৰা। | ২৬৯৫০ |
| ২০১৯-২০* | খণ্ড এলেকাত বৃক্ষৰোপণ ২ মিঃ×২ মিঃ ২৫০০ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। | ৩১৫০০০ |
| | **দ্বিতীয়** অলাগতিয়াল গছ-বন আঁতৰোৱা/নিকাকৰণ কৰা ঃ পূৰ্বৰ বছৰত ৰোপণ কৰা গছৰ অলাগতিয়াল ঠাল-ঠেঙুলি, অন্য মৃত বন-লতা আদি চাফা কৰা। | ৩২৩৪০ |
| ২০২০-২১* | খণ্ড এলেকাত বৃক্ষৰোপণ ২ মিঃ×২ মিঃ ২৫০০ গছপুলি প্ৰতি হেক্টৰত, এপ্ৰিল-জুন মাহৰ সময়ত, জি পি এছত চিহ্নিতকৰণ। | ৩১৫০০০ |

| | | |
|---|---|---|
| | তৃতীয় নিকাকৰণ | ৬৪৬৮০ |
| ২০২১-২২* | **চতুৰ্থ** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ২৬৬১১২ |
| ২০২২-২৩* | **পঞ্চম** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ১৫৫২৩২ |
| ২০২৩-২৪* | **ষষ্ঠ** নিকাকৰণ, পূৰ্বৰ বছৰৰ মৃত গছ, বন-লতা আদি উঘালি চাফা কৰা। | ১১৬৪২৪ |
| ২০২৪-২৫* | **সপ্তম** নিকাকৰণ। | ১১৬৪২৪ |
| ২০২৫-২৬ * | **অষ্টম** নিকাকৰণ। | ১১৬৪২৪ |
| | **মুঠ বিত্তীয় প্ৰয়োজনীয়তা** | ২১৪৯৫৮৬ |

*** প্ৰতি ৫ বছৰৰ মূৰে মূৰে বনাঞ্চলৰ গুণমান নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰ বাবে নিকাকৰণ ব্যৱস্থা আৱশ্যক।**

## ৫.১ গছপুলি প্ৰতিপালন আঁচনি (Nursery)

নতুন ৰঙাগড়া ই ডি চিৰ বাবে গছপুলি প্ৰতিপালন (Nursery) আঁচনি নিৰ্ভৰ কৰিছে নিম্নোক্ত ধৰণৰ নাৰ্ছাৰীৰ পৰা

(ক) জে এফ এম চিৰ নাৰ্ছাৰী (বিভাগীয় নাৰ্ছাৰীকে ধৰি)

(খ) অন্যান্য নাৰ্ছাৰী— এছ এইচ জি আৰু ব্যক্তিগত

তলত সবিশেষ দিয়া হ'ল—

**জে এফ এম চিৰ নাৰ্ছাৰী (গছপুলি প্ৰতিপালন কৰা ঠাই)**

নতুন ৰঙাগড়া ই ডি চিৰ নাৰ্ছাৰী সম্পৰ্কত তলৰ তালিকাত সবিশেষ দাঙি ধৰা হ'ল। ইয়াৰ লগত আছে ই ডি চিৰ সৈতে জড়িত বিভাগীয় নাৰ্ছাৰীৰ তথ্য—

তালিকা নং- ১১ (ক) ঃ নতুন ৰঙাগড়া ই ডি চিৰ নাৰ্ছাৰীসমূহ

| নাৰ্ছাৰীৰ স্থান | প্ৰজাতি | প্ৰতিপালন বৰ্ষ | বীজ ৰোপণৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| নতুন ৰঙাগড়া ই ডি চি | বিভিন্ন প্ৰজাতি | ২০১৬ | | প্ৰস্তাৱিত |

(উৎস ঃ প্ৰ-পত্ৰ-৩ তালিকা নং ৩.১১/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

**অন্যান্য নাৰ্ছাৰী ঃ**

নতুন ৰঙাগড়া ই ডি চিৰ অন্যান্য নাৰ্ছাৰী সম্পৰ্কত তলৰ তালিকাত সবিশেষ দাঙি ধৰা হ'ল—

তালিকা নং- ১১ (খ) ঃ নতুন ৰঙাগড়া ই ডি চিৰ নাৰ্ছাৰীসমূহ

| নাৰ্ছাৰীৰ স্থান | প্ৰজাতি | প্ৰতিপালন বৰ্ষ | বীজ ৰোপণৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| নতুন ৰঙাগড়া ই ডি চি | বিভিন্ন প্ৰজাতি | ২০১৬ | | প্ৰস্তাৱিত |

(উৎস ঃ প্ৰ-পত্ৰ-৩ তালিকা নং ৩.১২/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

## ৫.২ প্ৰতিপালন ব্যৱস্থাপনা আঁচনি— ১০ বছৰ

নতুন ৰঙাগড়া ই ডি চিৰ অধীনত গছপুলি প্ৰতিপালন ব্যৱস্থাপনা আঁচনি তলৰ তালিকাত দাঙি ধৰা হ'ল। সম্পূৰ্ণ ১০ বছৰৰ বাবে ইয়াক সামৰি লোৱা হৈছে—

(ক) উপযুক্ত মানৰ কাঠৰ বাবে গমাৰী, এলিফেণ্ট আপেল।

**তালিকা নং— ১২ (ক) নতুন ৰঙাগড়া ই ডি চিৰ গছপুলি ৰোপণ আৰু প্ৰতিপালন ব্যৱস্থাপনা আঁচনি**

| বৰ্ষবোৰ | প্ৰতিপালন পৰিচৰ্যা |
|---|---|
| প্ৰথম বছৰ | সময়ে সময়ে নিকাকৰণ আৰু অতিৰিক্ত গছ-লতা আঁতৰোৱা |
| দ্বিতীয় বছৰ | সূৰ্যৰ পোহৰ নপৰাকৈ আৱৰি ৰখা গছ-লতা আঁতৰোৱা, ব্যৱধান নিৰ্মূল কৰা, থিয়কৈ ওখ হৈ যোৱাৰ বাবে গছপুলিক প্ৰতিপালন কৰা |
| তৃতীয় বছৰ | কাষৰ ঠাল-ঠেঙুলি আঁতৰোৱা |

| | |
|---|---|
| চতুৰ্থ বছৰ | ওচৰৰ গছৰ ডাল-পাত কটা |
| পঞ্চম বছৰ | ওচৰৰ গছৰ ডাল-পাত কটা |
| ষষ্ঠ বছৰ | খালী ঠাইত গছপুলি ৰোৱা |
| সপ্তম বছৰ | খালী ঠাইত গছপুলি ৰোৱা |
| অষ্টম বছৰ | খালী ঠাইত গছপুলি ৰোৱা |
| নৱম বছৰ | খালী ঠাইত গছপুলি ৰোৱা |
| দশম বছৰ | বিকল্প শাৰীত থকা গছ আঁতৰোৱা |

(**উৎস** ঃ সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

**(খ) বাঁহ**

**তালিকা নং— ১২ (খ) নতুন ৰঙাগড়া ই ডি চিৰ বাঁহ গছ ৰোপণ আৰু প্ৰতিপালন ব্যৱস্থাপনা আঁচনি**

| **বৰ্ষবোৰ** | **প্ৰতিপালন পৰিচৰ্যা** |
|---|---|
| প্ৰথম বছৰ | নিকাকৰণ আৰু অন্য ডাল-পাতে আৱৰা ঠাল-ঠেঙুলি আঁতৰোৱা, গছ-লতাই আৱৰি ধৰা জোপোহা |
| দ্বিতীয় বছৰ | নিকাকৰণ আৰু অন্য ডাল-পাতে আৱৰা ঠাল-ঠেঙুলি আঁতৰোৱা, গছ-লতাই আৱৰি ধৰা জোপোহা |
| তৃতীয় বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা |
| চতুৰ্থ বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা |
| পঞ্চম বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা |
| ষষ্ঠ বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা, বতাহ-সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰা |
| সপ্তম বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা, বতাহ-সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰা |
| অষ্টম বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা, বতাহ-সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰা |
| নৱম বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা, বতাহ-সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰা |
| দশম বছৰ | অতিৰিক্ত ঠাল-ঠেঙুলি আঁতৰোৱা, একা-বেঁকা ডাল কৰ্তন কৰা, বতাহ-সূৰ্যৰ পোহৰ পৰাৰ ব্যৱস্থা কৰা |

(**উৎস** ঃ সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

**(গ) খৰিৰ বাবে বৃক্ষৰোপণ**

**তালিকা নং— ১২ (গ) নতুন ৰঙাগড়া ই ডি চিত জুই খৰিৰ বাবে বৃক্ষৰোপণ, প্ৰতিপালন ব্যৱস্থাপনা আঁচনি**

| **বৰ্ষবোৰ** | **প্ৰতিপালন পৰিচৰ্যা** |
|---|---|
| প্ৰথম বছৰ | গছৰ চাৰিওফালে আৱৰি থকা জোপোহা লতা আদি নিকাকৰণ |
| দ্বিতীয় বছৰ | গছৰ চাৰিওফালে আৱৰি থকা জোপোহা লতা আদি নিকাকৰণ |
| তৃতীয় বছৰ | কাষৰ ঠাল-ঠেঙুলি, একা-বেঁকা ডাল আদি কৰ্তন |
| চতুৰ্থ বছৰ | কাষৰ ঠাল-ঠেঙুলি, একা-বেঁকা ডাল আদি কৰ্তন |
| পঞ্চম বছৰ | শাৰী শাৰীকৈ গছ ৰোৱা |
| ষষ্ঠ বছৰ | ভাগি যোৱা অৱশিষ্ট গছ আঁতৰোৱা |
| সপ্তম বছৰ | গছৰ বৃদ্ধিৰ বাবে ঠাল-ঠেঙুলি কৰ্তন |
| অষ্টম বছৰ | কাষৰ ডাল আদি আঁতৰোৱা, নিকাকৰণ |
| নৱম বছৰ | কাষৰ ডাল আদি আঁতৰোৱা, নিকাকৰণ |
| দশম বছৰ | কাষৰ ডাল আদি আঁতৰোৱা, নিকাকৰণ |

(**উৎস** ঃ সমুদায়ৰ সদস্য তথা বন বিভাগৰে আলোচনামৰ্মে)

**(ঘ) এন টি এফ পি/ঔষধি গুণসম্পন্ন বৃক্ষৰোপণ**

**তালিকা নং— ১২ (ঘ) নতুন ৰঙাগড়া ই ডি চিত এন টি এফ পিৰ প্ৰতিপালন ব্যৱস্থাপনা আঁচনি/ঔষধি গছপুলি ৰোপণ**

| বৰ্ষবোৰ | প্ৰতিপালন পৰিচৰ্যা |
|---|---|
| প্ৰথম বছৰ | গছপুলিৰ চাৰিওফালে নিকাকৰণ, খালী ঠাইৰ ব্যৱস্থাপনা কৰা, ঠাল-ঠেঙুলিৰ আগত গজা অংগ কৰ্তন কৰা, পৰৱৰ্তী বছৰত ফলৰ বাবে আগ কৰ্তন কৰা |
| দ্বিতীয় বছৰ | গছপুলিৰ চাৰিওফালে নিকাকৰণ, খালী ঠাইৰ ব্যৱস্থাপনা কৰা, ঠাল-ঠেঙুলিৰ আগত গজা অংগ কৰ্তন কৰা, পৰৱৰ্তী বছৰত ফলৰ বাবে আগ কৰ্তন কৰা |
| তৃতীয় বছৰ | ফল সংগ্ৰহ, বীজ সংগ্ৰহ আৰু শুকাই যোৱা ঠাল-ঠেঙুলি আংতৰোৱা |
| চতুৰ্থ বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| পঞ্চম বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| ষষ্ঠ বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| সপ্তম বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| অষ্টম বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| নৱম বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |
| দশম বছৰ | ফল সংগ্ৰহ, একা-বেঁকা ডাল, অতিৰিক্ত ঠাল-ঠেঙুলি কৰ্তন |

(**উৎস ঃ** সমুদায়ৰ সদস্য তথা বন বিভাগৰে আলোচনামৰ্মে)

## ৫.৩ অন্যান্য কাৰ্যব্যৱস্থা আঁচনি

নতুন ৰঙাগড়া ই ডি চিৰ বাবে যুগুতোৱা অন্যান্য কাৰ্যব্যৱস্থা আঁচনি উল্লেখ কৰা হ'ল—

**তালিকা নং— ১৩ ঃ নতুন ৰঙাগড়া ই ডি চিৰ অন্যান্য ব্যৱস্থাপনা আঁচনি**

| কাৰ্য ব্যৱস্থা | প্ৰয়োজন আছে/নাই | দায়িত্ব বাহক | মাহ/বছৰ | এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| স্বাস্থ্য সেৱা শিবিৰ | আছে | ভি এছ এছ | ফেব্ৰুৱাৰী-মাৰ্চ | ই ডি টি |
| অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ | আছে | ভি এছ এছ | ফেব্ৰুৱাৰী-মাৰ্চ | ই ডি টি |
| ইন্ধন ৰাহি কৰা যন্ত্ৰৰ পৰিচিতি | আছে | ভি এছ এছ | ফেব্ৰুৱাৰী-মাৰ্চ | ই ডি টি |
| পশুধনৰ স্বাস্থ্য উন্নীতকৰণ | আছে | ভি এছ এছ | ফেব্ৰুৱাৰী-মাৰ্চ | ই ডি টি |

(**উৎস ঃ** প্ৰ-পত্ৰ-৩, তালিকা নং- ৩.১৩/সমুদায়ৰ সদস্য তথা বন বিভাগৰে আলোচনামৰ্মে)

**বজাৰ ব্যৱস্থাপনা**

নতুন ৰঙাগড়া ই ডি চিৰ পৰা উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থাপনা আঁচনি—

(১) জিলাখনৰ ভিতৰে-বাহিৰে ব্যৱসায়ীসকলৰ সৈতে যোগসূত্ৰ স্থাপন কৰা

(২) বন বজাৰত বিক্ৰী কৰা

(৩) প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা

**ফলাফলৰ সম্ভাৱনা**

এই উপ-খণ্ডটোত নতুন ৰঙাগড়া ই ডি চিৰ সদস্যসকলে গ্ৰহণ কৰা বন সংৰক্ষণ ব্যৱস্থাপনাৰ ফলত পাব পৰা লাভালাভ আৰু পাৰস্পৰিক ব্যৱহাৰিক স্বত্ব লাভৰ বাবে সহযোগিতা (বিতৰণ) ব্যৱস্থাপনা সম্পৰ্কে আলোচিত হৈছে—

## ৫.৪ কাঠ আৰু ঘাঁহ-বন সন্দৰ্ভত ফলাফলৰ সম্ভাৱনা —

নতুন ৰঙাগড়া ই ডি চিত ফলাফলৰ সম্ভাৱনা সম্পৰ্কত নিম্নোক্ত তালিকা প্ৰস্তুত কৰা হ'ল। বনাঞ্চল বিকাশ আঁচনিৰ

অধীনত ই ডি চিৰ সদস্যসকলে লোৱা বন সংৰক্ষণ ব্যৱস্থাপনাৰ পৰা উল্লেখ কৰা ধৰণে সম্ভাৱিত ফলাফলৰ তালিকা—

**তালিকা নং— ১৪ ঃ নতুন ৰঙাগড়া ই ডি চিৰ সদস্যসকলে বন সংৰক্ষণৰ বাবে লোৱা ব্যৱস্থাৱলীৰ সম্ভাৱিত ফলাফল—**

| সামগ্ৰী তালিকা | মাহ | বছৰ (উল্লিখিত) | পৰিমাণ |
|---|---|---|---|
| খৰি | ১২ মাহ | | ৬৫-৭৫ কেজি/মাহ |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | — | — | — |
| অন্য কাৰ্য সম্পাদনৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ১২ মাহ | ৩২-৪০ ডাল/মাহ | ৭০০-১২৫০ কেজি/মাহ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ গছ আৰু ঘাঁহ-বন পশু খাদ্যৰ বাবে | ১২ মাহ | — | ১৬০০-২০০০ কেজি/মাহ |

(**উৎস ঃ** প্ৰ-পত্ৰ-৩, তালিকা নং- ৩.১৪/সমুদায়ৰ সদস্য তথা বন বিভাগৰে আলোচনামৰ্মে)

## ৫.৫ গছপুলি প্ৰতিপালন আঁচনি (Nursery)

নতুন ৰঙাগড়া ই ডি চিৰ বাবে গছপুলি প্ৰতিপালন (Nursery) আঁচনি নিৰ্ভৰ কৰিছে নিম্নোক্ত ধৰণৰ নাৰ্ছাৰীৰ পৰা

(ক) ই ডি চিৰ সদস্যসকলৰ নাৰ্ছাৰী (বিভাগীয় নাৰ্ছাৰীকে ধৰি)

(খ) অন্যান্য নাৰ্ছাৰী— এছ এইচ জি আৰু ব্যক্তিগত খণ্ড

তলত সবিশেষ দিয়া হ'ল—

ই ডি চিৰ নাৰ্ছাৰী (গছপুলি প্ৰতিপালন কৰা ঠাই)

নতুন ৰঙাগড়া ই ডি চিৰ নাৰ্ছাৰী সম্পৰ্কত তলৰ তালিকাত সবিশেষ দাঙি ধৰা হ'ল। ইয়াৰ লগত আছে ই ডি চিৰ সৈতে জড়িত বিভাগীয় নাৰ্ছাৰীৰ তথ্য—

তালিকা নং- ১১ (ক) ঃ নতুন ৰঙাগড়া জে এফ এম চিৰ নাৰ্ছাৰীসমূহ

| নাৰ্ছাৰীৰ স্থান | প্ৰজাতি | প্ৰতিপালন বৰ্ষ | বীজ ৰোপণৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| নতুন ৰঙাগড়া ই ডি চি | বিভিন্ন প্ৰজাতি | ২০১৬ | ৭,২০,০০০ | প্ৰস্তাৱিত |

(উৎস ঃ প্ৰ-পত্ৰ-৩ তালিকা নং ৩.১১/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

**অন্যান্য নাৰ্ছাৰী ঃ**

নতুন ৰঙাগড়া ই ডি চিৰ অন্যান্য নাৰ্ছাৰী সম্পৰ্কত তলৰ তালিকাত সবিশেষ দাঙি ধৰা হ'ল—

তালিকা নং- ১১ (খ) ঃ নতুন ৰঙাগড়া ই ডি চিৰ অন্যান্য নাৰ্ছাৰীসমূহ

| নাৰ্ছাৰীৰ স্থান | প্ৰজাতি | প্ৰতিপালন বৰ্ষ | বীজ ৰোপণৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| নতুন ৰঙাগড়া ই ডি চি | বিভিন্ন প্ৰজাতি | ২০১৬ | ৭,২০,০০০ | প্ৰস্তাৱিত |

(উৎস ঃ প্ৰ-পত্ৰ-৩ তালিকা নং ৩.১২/সমুদায়ৰ সদস্য আৰু বন বিভাগৰে আলোচনামৰ্মে)

**ঘোষণা-পত্ৰ**

প্ৰমাণিত কৰা হ'ল যে নতুন ৰঙাগড়া ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনাই আশানুৰূপ ধৰণে আমাৰ সকলো ইচ্ছা পূৰণ কৰিছে। আমি আশা কৰিছোঁ, বন সংৰক্ষণ আৰু আপুৰুগীয়া বন্যপ্ৰাণীসমূহৰ সংৰক্ষণৰ লগতে আমাৰ গাঁৱৰ সমস্যাসমূহো শীঘ্ৰে আঁতৰ কৰা হ'ব।

**(সভাপতি)**
স্বাক্ষৰ
নতুন ৰঙাগড়া ই ডি চি

**(সম্পাদক)**
স্বাক্ষৰ
নতুন ৰঙাগড়া ই ডি চি


স্বাক্ষৰ
ডি এফ অ', তিনিচুকীয়া বন্যপ্ৰাণী সংমণ্ডল

## অতিৰিক্ত সূচীৰ তালিকা


| অতিৰিক্ত অনুসূচী সংখ্যা | শিৰোনাম |
|---|---|
| ১ | **মানচিত্ৰ**<br>সামাজিক মানচিত্ৰ<br>সম্পদ উৎসৰ মানচিত্ৰ<br>জি আই এছ্ মানচিত্ৰ |
| ২ | **পি আৰ এ অনুশীলন**<br>দলীয় আলোচনা<br>ঋতু সম্পৰ্কীয় বিশ্লেষণ<br>সামাজিক মানচিত্ৰ<br>সম্পদৰ শ্ৰেণীবদ্ধকৰণ<br>ভেন চিত্ৰ<br>চপাটি চিত্ৰ<br>সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ আৰু ই পি এ |
| ৩ | **ফটো** |
| ৪ | **ই ডি চি সদস্যৰ তালিকা** |
| ৫ | সম্পূৰ্ণ তালিকা— প্ৰপত্ৰ- ১-৪, তালিকা- ১-৩৭ |

# অতিৰিক্ত অনুসূচী- ১


## ১. সামাজিক মানচিত্ৰ



# সম্পদৰাজিৰ মানচিত্ৰ



# জি আই এছ মেপ



Location Map
NOTUN RANGAGARAH EDC
Under Tinsukia Wild Life Division
N
Legend
Infrastructure
Eco Tourist Camp
LP School
School
Mettalled Road
JFMC Boundary Final

# অতিৰিক্ত অনুসূচী- ২ ঃ পি আৰ এ অনুশীলন

**অংশগ্ৰহণকাৰীসকলৰ মতামত গ্ৰহণ, অনুশীলনৰ স্থান আৰু সময়**

| | |
|---|---|
| **অংশগ্ৰহণকাৰীৰ সংখ্যা** | **৬২** |
| **সময়** | **১.৩০ পি এম** |
| **স্থান** | **অংগনৱাড়ী কেন্দ্ৰ, নতুন ৰঙাগড়া গাঁও** |

**নতুন ৰঙাগড়া ই ডি চিৰ** অধীনস্থ গাঁওখনৰ সবিশেষ তথ্য

| ক্ৰমিক নং | গাঁৱৰ নাম | আৱাসৰ সংখ্যা | জনসংখ্যা | | | লিংগৰ অনুপাত | গড় পৰিয়ালৰ সংখ্যা |
|---|---|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা | | |
| ১ | কলীয়াপানী | ৭৪ | ৩৫৬ | ১৮২ | ১৭৪ | ১০০০ পুৰুষৰ বিপৰীতে মহিলা ৬০৫গৰাকী | ৪ |
| ২ | ৰঙাগড়া | ৯৮ | ৪৪৭ | ২১৬ | ২৩১ | | ৪ |
| ৩ | মিৰ্জাপুৰ | ৪৮ | ২৩৮ | ১২৬ | ১১২ | | ৬ |
| ৪ | বালিজান | ৫০ | ১৮৪ | ৯৬ | ৮৮ | | ৩ |
| | মুঠ | ২৭০ | ১২২৫ | ৬২০ | ৬০৫ | | |

**উৎস ঃ** ক্ষেত্ৰ এলেকা সমীক্ষা

**পি আৰ এ অনুশীলনত ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতি**

(ক) দলীয় আলোচনা

(খ) ঋতু সম্পৰ্কীয় বিশ্লেষণ

(গ) সামাজিক মানচিত্ৰ

(ঘ) সম্পদৰ শ্ৰেণীবদ্ধকৰণ

(ঙ)ভেন চিত্ৰ

(চ) চপাটি চিত্ৰ

(ছ) সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ আৰু ই পি এ

**(ক) দলীয় আলোচনা ঃ**

গ্ৰাম্য অৰ্থনীতিৰ সকলো দিশক কেন্দ্ৰ কৰি এই আলোচনা চলোৱা হয়। এইক্ষেত্ৰত ই ডি চি ত উপলব্ধ প্ৰাথমিক জীৱিকাৰ বিকল্প, কৃষি, পশুপালন, দক্ষতা বিকাশ, উপলব্ধ সহায়ক সেৱা, আন্তঃগাঁথনি আদি আলোচনা কৰাৰ লগতে বনাঞ্চল এলেকাৰ বিষয়সমূহো বিবেচনা কৰা হয়। আলোচনা কালত প্ৰয়োজনীয় তথ্য আহৰণৰ পূৰ্বে উল্লেখিত বিষয়সমূহৰ ওপৰত অগ্ৰাধিকাৰ দি সামৰি লোৱা হয়।

**আলোচনাৰ ফলাফল ঃ**

- ই ডি চি এলেকাৰ গাঁওসমূহত বৰ্তমানে উপলব্ধ জীৱিকাৰ সুবিধাসমূহৰ ভিতৰত দৈনিক হাজিৰা আৰু ব্যক্তিগত খণ্ডৰ চাকৰি উপলব্ধ। ই ডি চি এলেকাত কৃষিখণ্ডৰ কাম-কাজ তেনেই সীমিত। কেৱল মাত্ৰ ৬ শতাংশ পৰিয়ালেহে বতৰভিত্তিক কৃষিকৰ্মত নিয়োজিত হয়।
- অন্যান্য জীৱিকাৰ সুযোগ হিচাপে সম্প্ৰতি দেখা দিয়া বিকল্পসমূহৰ ভিতৰত মধ্যম পৰ্যায়ৰ হাঁহ-কুকুৰা পালন আৰু চুবুৰীয়া চাহ বাগিচাত দিন মজুৰিৰ সুযোগ।
- কৃষিখণ্ডত সহায়ৰ হাত আগবঢ়াব পৰা কোনো ব্যৱস্থা নাই।
- গাঁওবাসীয়ে হাঁহ, কুকুৰা, গাহৰি আৰু গৰু পালন কৰে। দেখা গৈছে যে প্ৰায় ৯০ শতাংশ মহিলাই পশুধন পালনত জড়িত হয়। অৱশ্যে পশুধন পালনৰ ক্ষেত্ৰত গাঁওবাসীয়ে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হয়, যেনে— বন্যপ্ৰাণীৰ দ্বাৰা পশুধনৰ ওপৰত আক্ৰমণ তথা পশুধনত দেখা দিয়া মহামাৰী সদৃশ ৰোগ আদি।
- উপযুক্তভাৱে পশুধন পালনৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষই কোনো সহায়ক ব্যৱস্থা আগবঢ়োৱা নাই।
- অন্যান্য কিছুমান ক্ষেত্ৰত গাঁওবাসীৰ দক্ষতা দেখা যায়। যেনে— ৰাজমিস্ত্ৰী, বাঁহ-বেতৰ শিল্প, বিজুলী মেৰামতি আদি। এনে কিছুমান কৰ্মক্ষেত্ৰৰ বাবে গাঁওবাসীক বন বিভাগৰ প্ৰকল্পৰ অধীনত প্ৰাথমিক প্ৰশিক্ষণ দিয়া দেখা যায়।
- গাঁওবাসীয়ে কিছুমান চৰকাৰী আঁচনিৰ মাধ্যমেৰেও লাভান্বিত হৈছে। সেইবোৰৰ ভিতৰত এমজিএনৰেগা, আই এ ৱাই, দমকল আদি। অৱশ্যে ২০-৩০ শতাংশ গাঁওবাসীয়েহে এনে সা-সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে।

**(খ) বতৰভিত্তিক পৰ্যালোচনা ঃ**

কোনো বিশেষ কৰ্মৰ সুবিধা-অসুবিধাসমূহ চিহ্নিতকৰণ আৰু ইয়াৰ তথ্য আহৰণৰ বাবে এই পৰ্যালোচনা চলোৱা হয়। পি আৰ এ অনুশীলনৰ সময়ত এই সন্দৰ্ভত নিৰ্দিষ্ট কৰ্মসূচীৰ খৰচ আৰু আয়, ঋণ, জমা আদি পুনৰীক্ষণ কৰাৰ লগতে নিয়োগৰ ধৰণ, স্বাস্থ্যৰ অৱস্থা আৰু শিক্ষা আদি সন্দৰ্ভতো প্ৰতিটো পৰিয়ালৰ উত্থান-পতন বিশ্লেষণ কৰা হয়।

**খৰচ আৰু আয় ঃ**

বছৰৰ আৰম্ভণিতে প্ৰায়ভাগ পৰিয়ালে শিশুৰ শিক্ষাৰ বাবে ধন ব্যয় কৰিবলগীয়া হয়। জানুৱাৰীৰ পৰা মাৰ্চ মাহলৈকে নতুন শিক্ষাবৰ্ষৰ আৰম্ভণিত বিদ্যালয়ৰ মাচুল, ইউনিফৰ্ম, কিতাপ, অন্যান্য সা-সঁজুলিৰ বাবে পৰিয়ালসমূহে ব্যয় কৰিবলগীয়া হয়। ইয়াৰ উপৰি এপ্ৰিল মাহৰ সময়ত বিহুৰ নামতো জনসমুদায়টোৱে গাঁঠিৰ ধন ভাঙিবলগীয়া হয়। শস্য সিঁচাৰ সময় মে'ৰ পৰা জুলাই মাহলৈ তথা চপোৱা সময় অক্টোবৰৰ পৰা ডিচেম্বৰ মাহলৈকে, এই দুই সময়তে কৃষিকৰ্মত জড়িতসকলে ধন ব্যয় কৰিবলগীয়া হয়।

আয়ৰ ক্ষেত্ৰত দেখা গৈছে যে উৎপাদিত শস্য তথা পশুধন আদিৰ পৰা অক্টোবৰ-নৱেম্বৰ মাহত গাঁওবাসীয়ে ভালদৰে আয় কৰিবলৈ সক্ষম হয়। ইপিনে ওচৰৰ চাহ বাগানত কাম কৰি জীৱন নিৰ্বাহ কৰা দৈনিক মজুৰিৰ শ্ৰমিকসকলেও জুন-জুলাই মাহত ভালদৰে আয় কৰিবলৈ সক্ষম হয়, কিয়নো উক্ত সময় চাহপাত ছিঙাৰ বাবে উপযুক্ত।

**জমা আৰু ঋণ ঃ**

দেখা গৈছে যে আয় বৃদ্ধিৰ লগে লগে ব্যক্তিসকলৰ জমাৰ পৰিমাণো বৃদ্ধি পায় আৰু তেওঁলোকে ডাকঘৰ তথা বেংকত নিজৰ ধন জমা ৰাখে। আনহাতে ঋণৰ ক্ষেত্ৰতো সুদৰ হাৰ পৃথক হোৱা দেখা যায়।

**কৃষিকৰ্মত ব্যস্ত থকাৰ সময়**

| শস্য | শস্য ৰোপণ | চপোৱা |
|---|---|---|
| ধান খেতি | মে'-জুলাই | অক্টোবৰ-ডিচেম্বৰ |

অকৃষিজাত কৰ্মত নিয়োজিত হোৱা সময় ঃ

| নিয়োজন | নিয়োজনৰ সময় |
|---|---|
| দিন মজুৰি | এপ্ৰিল-আগষ্ট |
| ৰাজমিস্ত্ৰী | ছেপ্টেম্বৰ-মাৰ্চ |
| ক্ষুদ্ৰ ব্যৱসায় | বছৰজুৰি |
| মিস্ত্ৰী | আগষ্ট-মাৰ্চ |
| অন্যান্য ব্যক্তিগত সেৱা | বছৰজুৰি |

## (ক) সামাজিক মানচিত্ৰ

সামাজিক মানচিত্ৰ ব্যৱহাৰ কৰা হৈছে ই ডি চিৰ আৰ্থ-সামাজিক দিশসমূহৰ সম্পৰ্কত বাস্তৱ স্থিতিৰ পৰ্যালোচনাৰ বাবে। ইয়াত আৱাসীসকলৰ ভূমিস্বত্বৰ ধৰণ, স্থানীয় বিদ্যালয়ৰ সংখ্যা, সামাজিক আন্তঃগাঁথনি আৰু আৱাসীসকলৰ ধৰ্মীয় বিশ্বাস আদি সামৰি লোৱা হৈছে। সামাজিক মানচিত্ৰ প্ৰস্তুত কৰাৰ পূৰ্বে পি আৰ এ অনুশীলনৰ বাবে গাঁওবাসীক একত্ৰিত কৰাৰ লক্ষ্যৰে গাঁওখনৰ মাজতে সজাগতা শিবিৰ পতা হয়। পি আৰ এ অনুশীলনত গাঁওবাসীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। আৰম্ভণিতে তেওঁলোকক গাঁৰৰ মূল পথসমূহ অংকন কৰিবলৈ দিয়াৰ লগতে তেওঁলোকৰ আৱাসসমূহ চিহ্নিত কৰা, গুৰুত্বপূৰ্ণ সামাজিক স্থান, চৰকাৰী কাৰ্যালয় আদি পি আৰ এ দলৰ সহযোগত চিহ্নিত কৰিবলৈ দিয়া হয়। এইক্ষেত্ৰত দুগৰাকী ব্যক্তিয়ে আগবাঢ়ি আহে আৰু তেওঁলোকক দলৰ সদস্যসকল আৰু অন্যান্য গাঁওবাসীয়ে মানচিত্ৰ প্ৰস্তুতকৰণত সহায় কৰে।

**তালিকা নং ৩.১ গাঁৰৰ সবিশেষ তথ্য**

| | | | |
|---|---|---|---|
| সামাজিক তথ্য | **গাঁও** | ৪ | |
| | মুঠ জনসংখ্যা | | ১২২৫ |
| | পুৰুষ | | ৬২০ |
| | মহিলা | | ৬০৫ |
| | মুঠ আৱাস | | ২৭০ |
| | আধা পকী ঘৰ | | ৫১ |
| | পকী ঘৰ | | ৪২ |
| | আই এ ৱাই আৱাস | | |
| উল্লেখনীয় স্থান | দলং | | |
| | জান | | |
| | নদী | ১ | ডিব্ৰু |
| | পি এইচ ই | | |
| | পাৱাৰ ট্ৰেন্সফৰ্মাৰ | | |
| | প্ৰেক্ষাগৃহ | ১ | |
| | প্ৰাথমিক বিদ্যালয় | ৪ | |
| | অংগনৱাড়ী কেন্দ্ৰ | ৪ | |
| | মজলীয়া, উচ্চ মাধমিক আৰু মহাবিদ্যালয় | ১ | |

- সামাজিত মানচিত্ৰ অধ্যয়নত সৰ্বমুঠ ৪৯৬টা আৱাস চিহ্নিত হয়। ইয়াৰে ১৩০টা আৱাস পকী।
- আৱাসী এলেকাটোৰ শ্ৰেণী বিভাজিত ঘৰসমূহৰ বাদে আন গুৰুত্বপূৰ্ণ স্থান, যেনে–— সমুদায় প্ৰেক্ষাগৃহ, বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ, খেলপথাৰ আৰু ধৰ্মীয় স্থান আদি ৰেখাংকিত কৰা হৈছে।
- গাঁওখনত খোৱাপানী তথা দৈনন্দিন ব্যৱহৃত পানীৰ মূল উৎস হৈছে— দমকল।
- গাঁওখনত শিক্ষাৰ ব্যৱস্থাসমূহৰ ভিতৰত প্ৰাথমিক শিক্ষা ব্যৱস্থা সন্তোষজনক। কিয়নো ই ডি চিৰ মুঠ ৫খন গাঁৱত অংগনৱাড়ী কেন্দ্ৰ সৈতে ৪খন প্ৰাথমিক বিদ্যালয় আছে।

**(খ) জীৱিকা সম্পৰ্কীয় বতৰভিত্তিক মানচিত্ৰ ঃ**

বতৰভিত্তিক বিশেষ কৰ্মসূচীৰ সা-সুবিধা আদি চিহ্নিত কৰিবলৈ তথ্য আহৰণৰ উদ্দেশ্যে এই মানচিত্ৰ প্ৰস্তুত কৰা হয়। এই সম্পৰ্কত গাঁওবাসীৰ সৈতে সমূহীয়া আলোচনা কৰি মেট্ৰিকছ পদ্ধতিৰে বালি আৰু শিলৰ সহায় লৈ মানচিত্ৰ প্ৰস্তুত কৰা হয়। উদাহৰণস্বৰূপে বতৰভিত্তিক কৰ্মৰাজিৰ ব্যস্ততাৰ ধৰণ সাধাৰণ ৰেখাংকনেৰে দৰ্শোৱা হয়। বতৰভিত্তিক পাৰ্থক্য, যেনে— বৰষুণ, শস্যৰ পৰ্যায়ক্ৰমিক কৰ্মসূচী, শ্ৰমিকৰ চাহিদা, দিন হাজিৰা কৰা লোকৰ উপলব্ধতা, বহিঃমুখী প্ৰব্ৰজন, মানুহৰ ৰোগৰ ঘটনা, ব্যয়ৰ পৰিমাণ আদি ইয়াত সামৰি লোৱা হয়। এই ব্যৱস্থাপনাত উৎসৱ-পাৰ্বণ আদিকো সামৰি লোৱা হয়।

**বতৰভিত্তিক পৰ্যালোচনাৰ পৰা পোৱা তথ্য ঃ**

প্ৰতিঘৰ আৱাসীৰ আয়-ব্যয়, জমা, ঋণ আদি বিষয়ত পৰিমাণ আৰু গুণগত গৱেষণাৰ বাবে এই পৰ্যালোচনা চলোৱা হয়। অনুসূচী- ২ত এই সম্পৰ্কীয় তথ্য অন্তৰ্ভুক্ত কৰা হৈছে।

**লাভ কৰা মূল তথ্যসমূহ ঃ**

সমূহীয়া আলোচনাৰ পৰা স্পষ্ট হৈছে যে জে এফ এম চি এলেকাত উপলব্ধ প্ৰধান জীৱিকাৰ উৎসমূহ হৈছে— কৃষি, চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ চাকৰি, বয়ন, পশুপালন আৰু দিন মজুৰি। শেহতীয়াভাৱে বিগত ৩-৪ বছৰত জীৱিকাৰ অন্যতম বিকল্প হিচাপে যুৱকসকলৰ মাজত অটোৰিক্সা আৰু বাণিজ্যিক বাহন চলোৱাৰ কামত নিয়োজিত হোৱা দেখা যায়।

**কৃষি ঃ**

জে এফ এম চি এলেকাৰ প্ৰাথমিক জীৱিকা হৈছে কৃষি আৰু তেওঁলোকে জীৱন ধাৰণৰ বাবে ধান খেতিকেই মূল কৃষিকৰ্ম হিচাপে গ্ৰহণ কৰিছে। স্থানীয় লোকসকলে নিজৰ ব্যৱহাৰৰ বাবে বতৰভিত্তিক শাক-পাচলি আদিও উৎপাদন কৰে। অৱশ্যে একাংশই বাণিজ্যিক উদ্দেশ্যৰেও শাক-পাচলি উৎপাদন কৰে। স্থানীয় লোকসকলে ঘাইকৈ শালি ধানৰ খেতিতেই ব্যস্ত হয়। জুন মাহৰ পৰা নৱেম্বৰ-ডিচেম্বৰলৈ কৃষিজীৱী লোকসকল ব্যস্ত হোৱা দেখা যায়।

**কৃষিকৰ্মত প্ৰত্যাহ্বান ঃ**

কৃষি উৎপাদন ঘাইকৈ নিৰ্ভৰ কৰে মাটিৰ ধৰণ, উচ্চ ক্ষমতাসম্পন্ন বীজৰ ব্যৱহাৰ, সাৰ, মূলধন বিনিয়োগ আৰু চৰকাৰ, প্ৰতিষ্ঠানৰ বিভিন্ন আঁচনিৰ সৈতে ইয়াৰ সামানুপাতিক সম্পৰ্কত। কিন্তু এলেকাটোত চলোৱা গৱেষণাই গাঁওবাসীয়ে এইক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱাটো প্ৰতীয়মাণ কৰে। গাঁওবাসীয়ে উল্লেখ কৰা সমস্যাসমূহ—

- কৃষকসকলে শস্য চপোৱাৰ সময়ত সন্মুখীন হোৱা প্ৰধান সমস্যাটোৰ ভিতৰত বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ উপদ্ৰৱৰ বিষয়টো অন্যতম। হাতীৰ জাকে শস্য পথাৰ বিনষ্ট কৰি কৃষকৰ উৎপাদনৰ পৰিমাণ হ্ৰাস কৰে।
- অঞ্চলটোত জলসিঞ্চনৰ সুবিধা সীমিত হোৱাটো আন এক গুৰুত্বপূৰ্ণ সমস্যা। ভূ-ভাগৰ জলপৃষ্ঠ কমি যোৱা আৰু জলাশয়ৰ পানীৰ অভাৱে কৃষিকৰ্মত প্ৰভাৱ পেলায়। কৃষকসকলে নিজাববীয়াকৈ জনসিঞ্চনৰ ব্যৱস্থা কৰে যদিও পৰ্যাপ্ত নহয়।
- জলসিঞ্চনৰ অভাৱৰ বাবেই গাঁওবাসীয়ে বাণিজ্যিকভাৱে নিজৰ বাৰীখনত কৃষিকৰ্ম কৰিবলৈ অক্ষম।
- উন্নতমানৰ কৃষি উৎপাদনৰ বাবে গাঁওবাসী বৈজ্ঞানিক পদ্ধতিসমূহৰ ক্ষেত্ৰত অজ্ঞ।

**পশুপালন ঃ**

ই ডি চিৰ অৰ্থনৈতিক বিকাশৰ অন্যতম আহিলা হৈছে পশুপালন। ই ডি চি এলেকাৰ প্ৰায়ভাগ সদস্যই পশুপালনত

জড়িত।

**পশুপালনত দেখা দিয়া প্ৰত্যাহ্বান ঃ**

- প্ৰায়ভাগ ক্ষেত্ৰতে দেখা গৈছে যে চৰকাৰী পশুপালন বিভাগৰ সেৱাই গাঁওবাসীক ঢুকি নাপায়। গাঁওবাসীয়ে ব্যক্তিগত পশুপালন ব্যৱস্থাৰ সহায় ল'বলগীয়া হোৱাটো ব্যয়বহুল। তেওঁলোকে উচ্চ হাৰত চিকিৎসকক মাননি দিবলগীয়া হয়। চৰকাৰী পশুচিকিৎসা সেৱা দুৰ্বল হোৱা বাবে স্থানীয় লোকসকলে ব্যক্তিগত খণ্ডৰ চিকিৎসা সোৱাৰ পৰা পশুপালনৰ ক্ষেত্ৰত প্ৰাথমিক চিকিৎসা পদ্ধতি শিকি ল'ব লগা হোৱা বুলিও লোকসকলে প্ৰকাশ কৰে। কিছুমান ঠাইত স্থানীয় লোকে ক্ষুত্ৰ আৰু মজলীয়া পৰ্যায়ত হাঁহ-কুকুৰা পালনৰ ব্যৱস্থা কৰিছে যদিও কাৰিকৰী পৰামৰ্শ আৰু চিকিৎসা সেৱাৰ অভাৱৰ বাবে আহুকালৰ সন্মুখীন হৈছে।
- গাহৰি পালন এক লাভজনক ব্যৱসায় যদিও মহামাৰীসদৃশ ৰোগৰ বাবে ই স্পৰ্শকাতৰ হোৱা হেতুকে গাঁওবাসীয়ে বৃহৎ পৰিসৰত গাহৰি পালনত সমস্যাৰ সন্মুখীন হয়। বতৰৰ পৰিৱৰ্তনৰ লগে লগে গাহৰিবোৰো বেমাৰত আক্ৰান্ত হয়। সঘনাই দেখা দিয়া ৰোগৰ ভিতৰত ছোৱাইন ফ্লু, ডায়েৰীয়া, পেৰালাইছিছ আদি অন্যতম। হাঁহ-কুকুৰাৰ ক্ষেত্ৰতো এনেধৰণৰ সমস্যাই দেখা দিয়ে আৰু তেতিয়া অতি কম দামতে পশুধন বিক্ৰী কৰিবলগীয়া হয়।

**অকৃষিজাত জীৱিকা ঃ**

ই ডি চি এলেকাত প্ৰশিক্ষিত অথবা দক্ষ লোকৰ সংখ্যা তেনেই সীমিত। একাংশ গাঁওবাসীয়ে প্ৰকাশ কৰা মতে তেওঁলোকৰ মাজৰ কিছুমান ব্যক্তিয়ে বাঁহ-বেতৰ শিল্প আদিত প্ৰশিক্ষিত যদিও তেওঁলোকে জীৱিকাৰ বিকল্প হিচাপে আগবাঢ়িব পৰা নাই। গাঁওবাসীয়ে বয়ন শিল্প, এমব্ৰইডাৰী, পুতলা বনোৱা, ফেব্ৰিক পেইণ্টিং, লঘু বাহন চলোৱা আদি খণ্ডত  প্ৰশিক্ষণ ল'ব বিচাৰে।

**অকৃষিজাত জীৱিকাত প্ৰত্যাহ্বান ঃ**

- শিল্প কৰ্ম অথবা অন্যান্য কৰ্মক্ষেত্ৰত জড়িত লোকসকলে উদ্যমিতা বিকাশত উৎসাহী নহয়। ইয়াৰ অন্য কাৰণ হিচাপে শিক্ষাৰ অভাৱ, আত্মপ্ৰকাশৰ সুযোগৰ অভাৱ অথবা আয় বৃদ্ধি তথা নিয়োগ সৃষ্টিৰ সম্ভাৱনাৰ ক্ষেত্ৰত সজাগতাৰ অভাৱ অন্যতম।
- ই ডি চি এলেকাত অকৃষিজাত কৰ্ম খণ্ডত প্ৰধান বাধাৰ অন্যতম কাৰণ হৈছে সঁজুলি আৰু যন্ত্ৰপাতিৰ অভাৱ।
- উৎপাদিত সামগ্ৰী তথা কেঁচামাল মজুতকৰণ ব্যৱস্থাৰ অভাৱ।
- পৰ্যাপ্ত বজাৰ ব্যৱস্থাপনা আৰু যোগসূত্ৰৰ অভাৱ।

## সম্পদশালীৰ শ্ৰেণীবদ্ধকৰণ

সম্পদশালী বা অৱস্থাৱান ব্যক্তি বা পৰিয়ালৰ শ্ৰেণীবদ্ধকৰণৰ বিষয়টো সমুদায়ৰ সদস্যসকলক আৰৰি লোৱা হৈছে আৰু জনসমুদায়টোৰ আৰ্থিক অৱস্থাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হৈছে। তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ সহায়ত লোকসকলৰ অৰ্থনৈতিক অৱস্থাৰ শ্ৰেণীবদ্ধকৰণ কৰা হয়।


(ক) বৃত্তি/জীৱিকা

(খ) মাটিৰ স্বত্বাধিকাৰ


(গ) আৱাস গৃহৰ ধৰণ


(ঘ) সম্পত্তিৰ মালিকী স্বত্ব

দেখা গৈছে যে অঞ্চলটোৰ ৫৪.৮৩ শতাংশ লোক দুখীয়া শ্ৰেণীৰ। প্ৰায় ৩৯.৩২ শতাংশ লোক মধ্যম বৰ্গৰ আৰু প্ৰায় ৫.৮৫ শতাংশ লোকহে ধনিক শ্ৰেণীৰ। দুখীয়া লোকসকলে প্ৰধানতঃ অনিয়মিত দিন মজুৰি কৰ্মত জড়িত আৰু ধান খেতিৰ বাবে প্ৰায়ভাগে মাটি বন্ধকী থয়। ধনিক শ্ৰেণীৰ লোকসকলে চাহ খেতি আৰু ধন খেতিত জড়িত হোৱা দেখা যায়। তেওঁলোকৰ টিভি, গাড়ী-মটৰ আদিও আছে। মধ্যম শ্ৰেণীৰ লোকসকলে চাহ খেতি উদ্যান শস্য আৰু ধান খেতিতো জড়িত। বিশ্লেষকসকলে প্ৰকল্প এলেকাৰ আৰ্থ-সামাজিক স্থিতি আদিৰ তথ্য আহৰণ কৰিবলৈ সক্ষম হয়।



# ভেন চিত্র


REVENUE OFFICE
BUS STATION
BANK
LP SCHOOLS
NOTUN RONGAGORA EPC
RANGE OFFICE
ELECTRICITY
HIGH SCHOOL
RAILWAY STATION
SUB CENTRE


Primary School 0.51 Km
ME School 0-1 kms
High School 5 Kms
Health Centre 4 kms
College 10 km
Post Office 4 km
Bus Stand 15 km
Market 4 km
Bank 4 km
Police Outpost 4 km
Notun Rongagora EDC

Natun Rangagora

| Entry Point Activity | Hospital (A) | Raising Platform (B) | Weaving Center (C) | LPG (D) | Ambulance (E) | | Marks | Position |
|---|---|---|---|---|---|---|---|---|
| Hospital (A) | A | A | A | A | A | | 5 | 1st |
| Raising Platform (B) | Y | B | B | B | B | | 4 | 2nd |
| Weaving Center (C) | Y | X | C | C | C | | 3 | 3rd |
| LPG (D) | Y | X | X | D | D | | 2 | 4th |
| Ambulance (E) | Y | Y | Y | X | E | | 1 | 5th |
| | | | | | | | | |
| | | | | | | | | |

Divisional Forest Officer
Tinsukia Wildlife Division
Tinsukia

Natun Rangagora.

| Potencial Livelihood Activity | Weaving (A) | Tailoring & Embroidery (B) | Electrician (C) | Hospitality Training (D) | Food Processing (E) | | Marks | Position |
|---|---|---|---|---|---|---|---|---|
| Weaving (A) | A | A | A | A | A | | 5 | 1st |
| Tailoring & Embroidery (B) | Y | B | B | B | B. | | 4 | 2nd |
| Electrician (C) | X | X | C | C | C. | | 3 | 3rd. |
| Hospitality Training. (D) | Y | Y | Y | D | D | | 2 | 4th |
| Food Processing (E) | Y | X | Y | X | E | | 1 | 5th |
| | | | | | | | | |
| | | | | | | | | |

Divisional Forest Officer
Tinsukia Wildlife Division
Tinsukia

# অতিৰিক্ত সূচী- ৩ ঃ ফটো








Community Level Micro-Planning
JFMCs & EDCs
Centre for Microfinance & Livelihood (CML)

অতিৰিক্ত সূচী— ৪

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

(১) হীৰেন সেনাপতি (সভাপতি) ৯৮৫৪৬৪৪৩৩৬
(২) চম্পা দে' (সম্পাদক)
(৩) জয়ন্ত খাটুৱাল
(৪) মণ্টু বৰগোহাঁই
(৫) লক্ষ্যধৰ গগৈ
(৬) কাকুধৰ সোণোৱাল
(৭) বীণা হাজৰিকা
(৮) স্বৰ্ণলতা হাজৰিকা
(৯) মৃদুলা চেতিয়া

## অতিৰিক্ত সূচী— ৫ (ৰেকৰ্ড- ১)

### তালিকা নং- ১ ঃ গাঁৱৰ মূল তথ্য

| ক্ৰমিক নং | ই ডি চিৰ নাম | প্ৰতিষ্ঠাৰ বছৰ | কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা | সভাপতিৰ নাম | সম্পাদকৰ নাম |
|---|---|---|---|---|---|
| ১ | নতুন ৰঙাগড়া | ২০১৫-১৬ | ১৩ | হীৰেন সেনাপতি | ছায়াৰাণী মেছ |

### তালিকা নং- ২ ঃ জনসংখ্যাৰ তথ্য

| ক্ৰমিক নং | গাঁৱৰ নাম | আৱাসৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | কলীয়াপানী | ৭৪ | ৩৫৬ | ১৮২ | ১৭৪ |
| ২ | ৰঙাগড়া | ৯৮ | ৪৪৭ | ২১৬ | ২৩১ |
| ৩ | মির্জাপুৰ | ৪৮ | ২৩৮ | ১২৬ | ১১২ |
| ৪ | বালিজান | ৫০ | ১৮৪ | ৯৬ | ৮৮ |
| | মুঠ | ২৭০ | ১২২৫ | ৬২০ | ৬০৫ |

### তালিকা নং- ২.১ ঃ জনসংখ্যাৰ তথ্য

| ক্ৰমিক নং | গাঁৱৰ নাম | আৱাসৰ সংখ্যা | এছ চি | | এছ টি | | অ' বি চি | | সাধাৰণ | | মুঠ সকলো শ্ৰেণী |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | |
| ১ | কলীয়াপানী | ৭৪ | | | ৩ | ৬ | ১৭৯ | ১৬৮ | | | |
| ২ | মির্জাপুৰ | ৪৮ | | | | | ১১০ | ১০০ | ১৬ | ১২ | |
| ৩ | বালিজান | ৫০ | | | ৩৩ | ৩৫ | ৫৪ | ৩৯ | ৯ | ১৪ | |
| | মুঠ | ২৭০ | | | ৩৬ | ৪১ | ৫৫৩ | ৫৩১ | ৩১ | ৩৩ | ১২২৫ |

### তালিকা- ৩ ঃ ভূমি স্বত্বাধিকাৰীৰ তথ্যৰ ভিত্তিত গাঁৱৰ কৃষকৰ শ্ৰেণী বিভক্তিকৰণ

| ক্ৰমিক নং | গাঁৱৰ নাম | ভূমি স্বত্বাধিকাৰ হিচাপত কৃষকৰ বৰ্ণনা | | | | |
|---|---|---|---|---|---|---|
| | | বহল পৰিসৰৰ খেতিয়ক > ১০ হেক্টৰ | ক্ষুদ্ৰ খেতিয়ক ২ৰ পৰা ১০ হেক্টৰ | সাধাৰণ খেতিয়কৰ পৰিয়াল < ২ হেক্টৰ | ভূমিহীন | সৰ্বমুঠ |
| ১ | কলীয়াপানী | ১১ | ১৩ | ১৪ | ৩৩ | ৭৪ |
| ২ | ৰঙাগড়া | ১৬ | ১৯ | ২১ | ৪৫ | ৯৮ |
| ৩ | মির্জাপুৰ | ৭ | ১০ | ৯ | ২১ | ৪৮ |
| ৪ | বালিজান | ৮ | ৯ | ১০ | ২২ | ৫০ |
| | মুঠ | ৪২ | ৫১ | ৫৪ | ১২১ | ২৭০ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

| গাঁৱৰ নাম | গাঁৱৰ পশুধনৰ সংখ্যা | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | গৰু | ম'হ | ছাগলী | কুকুৰা | বলধ | উট | গাহৰি | মুঠ |
| নতুন ৰঙাগড়া | ১৫০ | | ২৬৯ | ১০৪৯ | ৮৯ | | ১৫ | ১৫৭২ |

## তালিকা- ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

| গাঁও প্ৰধান | বিৱৰণ | অতিৰিক্ত তথ্য |
|---|---|---|
| প্ৰতিষ্ঠানৰ নাম | নতুন ৰঙাগড়া ই ডি চি | সভাপতি- হীৰেন সেনাপতি, সম্পাদক- ছায়াৰাণী মেছ |
| প্ৰতিষ্ঠা বৰ্ষ | ২০১৬ | |
| সংমণ্ডল | তিনিচুকীয়া | |
| ৰেঞ্জ অফিচ | গুঁইজান | |
| কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা | ৯ | পুৰুষ- ৮, মহিলা- ৪ |
| ই ডি চিৰ অন্তৰ্গত গাঁও | ৪খন | কলীয়াপানী, ৰঙাগড়া, মিৰ্জাপুৰ, বালিজান |
| মুঠ আৱাস | ২৭০ | |
| আৱাসী সম্প্ৰদায় | সোণোৱাল কছাৰী, আদিবাসী, বড়ো | |
| ওচৰৰ প্ৰাথমিক বিদ্যালয় | ৪খন | ই ডি চিৰ পৰা ১ কিঃমিঃ দূৰত্বত |
| অংগনৱাড়ী কেন্দ্ৰ | ৪টা | অংগনৱাড়ী কেন্দ্ৰসমূহ প্ৰাথমিক বিদ্যালয়ৰ লগত সংলগ্ন |
| গিৰ্জা/মন্দিৰ/নামঘৰ | ৪টা | ২টা নামঘৰ, ১টা মছজিদ |
| ওচৰৰ মজলীয়া বিদ্যালয় | ১খন | ইডিচিৰ পৰা আধা কিঃমিঃ দূৰত্বত |
| ওচৰৰ হাইস্কুল | ১খন | ইডিচিৰ পৰা ২ কিঃমিঃ দূৰত্বত |
| ওচৰৰ মহাবিদ্যালয় | ১খন | ইডিচিৰ পৰা ৭ কিঃমিঃ দূৰত্বত |
| ওচৰৰ চিকিৎসালয় | গুঁইজান উপ-কেন্দ্ৰ | ইডিচিৰ পৰা ২ কিঃমিঃ দূৰত্বত |
| ওচৰৰ থানা | গুঁইজান আৰক্ষী চকী | ইডিচিৰ পৰা ২ কিঃমিঃ দূৰত্বত |
| ওচৰৰ ডাকঘৰ | ৰঙাগড়া ডাকঘৰ | ইডিচিৰ পৰা ২ কিঃমিঃ দূৰত্বত |
| ওচৰৰ বজাৰ | গুঁইজান বজাৰ | সাপ্তাহিক বজাৰ |
| সংযোগী পথ | ২টা | ডুলিজান পথ, গেলাপুখুৰী পথ |

## তালিকা- ৬ ঃ কৃষি শস্য

| শস্যৰ ধৰণ | বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীল | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | মাটিকালি (হেক্টৰ) | শস্যৰ নাম | মাটিকালি (হেক্টৰ) |
| খাৰিফ শস্য | শালি ধান | | | |
| ৰবি শস্য | সৰিয়হ, শাক-পাচলি | ঘৰুৱা ব্যৱহাৰত | এন এ | |

## তালিকা নং- ৭ ঃ শস্য উৎপাদনৰ প্ৰতিচ্ছবি

| শস্যৰ ধৰণ | মুঠ উৎপাদন আনুমানিক (মেট্ৰিক টন) | খেতি কৰা পৰিয়ালৰ সংখ্যা | গড় উৎপাদন (কুইন্টল/প্ৰতি হেক্টৰ) | কৃষি উৎপাদনৰ মাটি এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ধানখেতি | | ২৩৪ | | |
| চাহ | | ৯২ | | |
| শাক-পাচলি | | | | |

## তালিকা নং- ৮ ঃ পশুখাদ্যৰ উপলব্ধতা (জন্তু)

| খাদ্যৰ ধৰণ | ১ৰ পৰা ৩ মাহ | ৩ৰ পৰা ৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| **শস্যৰ অৱশিষ্ট** | √ | – | – |
| **গছৰ পাত** | – | – | √ |
| **ঘাঁহ-বন** | √ | – | – |
| **সেউজীয়া খাদ্য** | – | √ | – |
| **বনাঞ্চলৰ ঘাঁহনি** | √ | – | – |

## তালিকা নং- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থান

| ক্ৰয় কৰাৰ বাবে | অৱস্থান | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) |
|---|---|---|
| ৰেচনৰ দোকান | নতুন ৰঙাগড়া | |
| সাপ্তাহিক বজাৰ | নতুন ৰঙাগড়া | |
| প্ৰধান বজাৰ | তিনিচুকীয়া | |
| বন নিগমৰ বিক্ৰী কেন্দ্ৰ | | |
| টেঙ্গু পট্টা পি এইচ এ ডি | | |
| মাছ বজাৰ | নতুন ৰঙাগড়া ঘাট | ১ কিলোমিটাৰ |
| ঔষধি গছ সংগ্ৰহ কেন্দ্ৰ | | |
| বন নিগমৰ ঔষধি গছ সংগ্ৰহ কেন্দ্ৰ | | |

## তালিকা নং- ১০ ঃ জলসম্পদৰ সুবিধা

| পানীৰ উৎস | সংখ্যা | পানীৰ উপলব্ধতা | ব্যৱহাৰ |
|---|---|---|---|
| জল সংগ্ৰহ গাঁথনি | এন এ | | |
| দমকল | ২৫৪ | সকলো সময়ত উপলব্ধ | সেৱন কৰাৰ কাৰণে |
| নদী | ১ | | |
| কুঁৱা | ৪ | ঋতুজনিত | ধোৱা-পখলা আৰু পাকঘৰৰ কামৰ বাবে |

## তালিকা নং- ১১ ঃ ইন্ধনৰ ব্যৱহাৰ

| ইন্ধনৰ ধৰণ | নিৰ্ভৰশীল আৱাসগৃহৰ সংখ্যা | নিৰ্ভৰ হ'বলগীয়া মাহৰ সংখ্যা | সংগ্ৰহৰ উৎস (স্থানীয়ভাৱে, গাঁৱত, বনাঞ্চলত, অন্যান্য) | প্ৰধান/বিকল্প ব্যৱহাৰ |
|---|---|---|---|---|
| কাঠ খৰি | ১৭৫ | | | |
| কেৰাচিন | ১২১ | | | |
| গোবৰ গেছ | | | | |
| এল পি জি | ৫১ | | | |
| বৈদ্যুতিক হিটাৰ | | | | |

## সহকাৰী তালিকা

## ১২. আয়ৰ ব্যৱধান

| ধৰণ | | এই ধৰণৰ আৱাসীৰ সংখ্যা |
|---|---|---|
| বি পি এল | ২৫০০০ তলৰ | ১২১ |
| এ পি এল | ২৫০০০-৫০০০০ | ৫৪ |
| | ৫০০০০ ওপৰৰ | ৯৪ |

## তালিকা- ১২ শিক্ষিতৰ স্থিতি

| শিক্ষাৰ মান | গাঁৱৰ নাম | | | | মুঠ |
|---|---|---|---|---|---|
| | নতুন গাঁও | বালিজান | মিৰ্জাপুৰ | কলীয়াপানী | |
| অশিক্ষিত | ২৬ | ৩৯ | ১৫ | ১২ | ৯২ |
| প্ৰথম-চতুৰ্থ শ্ৰেণী | ১৫৫ | ৩৭ | ৮ | ১৫৭ | ৩৫৭ |
| পঞ্চম-সপ্তম শ্ৰেণী | ৮০ | ৩৩ | ২৫ | ১২৮ | ২৬৬ |
| অষ্টম-দশম শ্ৰেণী | ১২০ | ৪৩ | ১৫ | ৩৮ | ২১৬ |
| একাদশ-দ্বাদশ শ্ৰেণী | ৪৩ | ৩৩ | ১৩ | ৫ | ৯৪ |
| স্নাতক | ১০ | ৫ | ১ | ৪ | ২০ |
| স্নাতকোত্তৰ | ০ | ২ | ০ | ০ | ২ |
| মুঠ | ৪৩৪ | ১৯২ | ৭৭ | ৩৪৪ | ১০৪৭ |

## ৰেকৰ্ড-২

## জীৱিকাৰ সুযোগ পৰ্যালোচনা

**তালিকা নং— ১২** কৃষি আৰু উদ্যান

তালিকা নং— ১২ত কৃষি আৰু উদ্যান ক্ষেত্ৰৰ তথ্যৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| ন্যূনতম উৎপাদন | ◆ চাহ খেতিৰ বাবে পথাৰৰ মাটিৰ উৰ্বৰতা হ্ৰাস<br>◆ জৈৱিক কৃষিৰ বাবে ন্যূনতম জ্ঞান<br>◆ উচ্চ উৎপাদনমুখী বীজৰ ব্যৱহাৰ নাই<br>◆ জলসিঞ্চনৰ ব্যৱস্থাহীনতা<br>◆ কৃষিগত আন্তঃগাঁথনিৰ অভাৱ, আধুনিক যন্ত্ৰপাতি, যেনে— পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ।<br>◆ বজাৰৰ চাহিদা অনুপাতে কাম নকৰা | ◆ জলসিঞ্চনৰ ব্যৱহাৰ, আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰে উৎপাদন বৃদ্ধি কৰিব পাৰে<br>◆ উৎপাদনমুখী বীজত ব্যৱহাৰৰ বাবে কাৰ্য আঁচনি।<br>◆ উচ্চ উৎপাদনমুখী বীজ ব্যৱহাৰৰ বাবে কাৰ্য আঁচনি। | ◆ জৈৱিক কৃষি পদ্ধতিৰ প্ৰশিক্ষণ।<br>◆ আধুনিক যন্ত্ৰপাতি, বীজ আদিৰ ব্যৱহাৰৰ বাবে প্ৰশিক্ষণ<br>◆ আধুনিক যন্ত্ৰপাতি ক্ৰয়ৰ বাবে ঋণৰ সুবিধা প্ৰদান |
| গুদাম আৰু উৎপাদন | ◆ উমৈহতীয়া গুদামৰ অভাৱ।<br>◆ বিদ্যুতৰ অভাৱত শীতল পণ্যাগাৰৰ অভাৱ। | ◆ চাহিদা বৃদ্ধি পোৱালৈকে উৎপাদিত সামগ্ৰী সংৰক্ষিত কৰি ৰাখিব পাৰে। | |
| বেচা-কিনা | ◆ উৎপাদিত সামগ্ৰীৰ সৰবৰাহৰ বাবে যাতায়াত ব্যৱস্থাৰ অভাৱ।<br>◆ বজাৰৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ অভাৱ, মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল।<br>◆ বজাৰ বিপণনৰ বাবে জ্ঞানৰ অভাৱ, পৰম্পৰাগত বিক্ৰী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। | ◆ সামগ্ৰী সৰবৰাহৰ সুবিধাজনক যাতায়াত ব্যৱস্থাই ওচৰৰ বজাৰলৈ সামগ্ৰী কঢ়িওৱাত কৃষকক সহায় কৰে।<br>◆ মধ্যভোগীক আঁতৰ কৰিব পাৰিলে বজাৰত অধিক মূল্য লাভ কৰিব পাৰে।<br>◆ সাম্প্ৰতিক বজাৰৰ পৰিস্থিতি আৰু বজাৰ মূল্যৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰে। | ◆ ক্ৰেতা-বিক্ৰেতাৰ মাজত যোগসূত্ৰ |

তালিকা নং— ১৩

**পশুধন**

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| চৰণীয়া পথাৰৰ অভাৱ | ◆ প্ৰযোজ্য নহয়। | — | — |
| পশু খাদ্যৰ উপলব্ধতা | ◆ দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশু খাদ্য ক্ৰয় কৰাত অপাৰগ। ◆ গছপাত, বনলতা আৰু শস্যৰ অৱশিষ্ট অংশ কেৱল ৩ৰ পৰা ৬ মাহলৈ উপলব্ধ। গোটেই বছৰজুৰি সেউজীয়া পশুখাদ্য পাবলৈ নাই। | ◆ গাই গৰুৰ ক্ষিপ্ৰ বিকাশ ◆ পশুপালনৰ দ্বাৰা অধিক আয়ৰ সুবিধা। | |
| পশু চিকিৎসাৰ সুবিধা | ◆ কোনো পশু চিকিৎসা কেন্দ্ৰ নাই। ◆ পশুপালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ। | ◆ বেমাৰ নিয়ন্ত্ৰণ ◆ গাইগৰু বা পশুধনৰ জীৱনকাল বৃদ্ধি। ◆ আয় বৃদ্ধিৰ বাবে গাঁওবাসীৰ মাজত পশুপালনত উদগনি যোগোৱা | |
| দুগ্ধ উৎপাদন | ◆ পশুখাদ্যৰ অভাৱ। ◆ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৱ। | ◆ গাখীৰৰ চাহিদা বেছি ◆ দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ ওপৰঞ্চি ‘মিল্ক বুষ্টাৰ, মিল্ক প্লাছ’ আদিৰ দৰে দ্ৰব্যৰ ব্যৱহাৰ। | |
| গাখীৰৰ বজাৰ | ◆ গাখীৰৰ প্ৰত্যক্ষ বজাৰৰ বাবে যোগাযোগৰ অভাৱ। ◆ দুগ্ধ উৎপাদিত বিভিন্ন সামগ্ৰীৰ চাহিদাৰ বিষয়ে অজ্ঞতা। | ◆ কোকৰাঝাৰ জিলা মুখ্যালয় আৰু চুবুৰীয়া ৰাজ্য পশ্চিমবংগ যিহেতু জে এফ এম চিৰ পৰা যথেষ্ট দূৰত, সেয়ে গাখীৰৰ বজাৰত প্ৰচুৰ চাহিদা দেখা যায়। | |

তালিকা নং— ১৪ **এন ডব্লিউ এফ পি**

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| সংগ্ৰহৰ পৰিমাণ কম | ◆ কম পৰিমাণে উপলব্ধ এন ডব্লিউ এফ পি | ◆ উৰ্বৰ মাটি উপলব্ধ | ◆ খাদ্যশস্যৰ গছ, ঔষধি গছ আদি ৰোপণ |
| হ্ৰস্বকালীন সংগ্ৰহ | — | ◆ উৰ্বৰ মাটি উপলব্ধ | — |
| কম মূল্য | — | — | — |
| মূল্য সংযোজন | ◆ প্ৰসংস্কৰণৰ ব্যৱস্থা নাই ◆ উৎসৰ অভাৱ ◆ কাৰিকৰী জ্ঞানৰ অভাৱ | — | — |

তালিকা নং— ১৫ বিশেষ দক্ষতা

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ◆ নিকটৱৰ্তী স্থানত কেঁচা সামগ্ৰীৰ অভাৱ।<br>◆ সংগ্ৰহৰ অভাৱ। | ◆ কেঁচা সামগ্ৰী মজুতকৰণৰ বাবে উমৈহতীয়া স্থানৰ আৱশ্যকতা।<br>◆ বাণিজ্যিকীকৰণক সবল কৰা। | ◆ কেঁচা সামগ্ৰীৰ বাবে মজুতকৰণ বেংক স্থাপন। |
| উৎপাদিত সামগ্ৰীৰ গুণমান | ◆ উচ্চ মানবিশিষ্ট সামগ্ৰীৰ বাবে গৱেষণাৰ অভাৱ<br>◆ উচ্চমানৰ কেঁচা সামগ্ৰী মজুতকৰণ<br>◆ পৰম্পৰাগত যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰশীল<br>◆ সামগ্ৰীৰ বিকাশৰ বাবে সৃষ্টিশীলতাৰ অভাৱ | ◆ উৎপাদন বৃদ্ধি, ◆ পৰ্যাপ্ত মানৱ সম্পদৰ ব্যৱহাৰ,<br>◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰ,<br>◆ অন্য প্ৰদৰ্শনী আদিত দেখাৰ দৰে অনুৰূপ সামগ্ৰীৰ তুলনাৰে সামগ্ৰীৰ ডিজাইন আৰু মান উন্নীতকৰণ | ◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>◆ গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান কৰা। |
| বেচা-কিনাৰ সম্ভাৱনীয়তা | ◆ নিৰ্ধাৰিত মানৰ বজাৰৰ অভাৱ<br>◆ মূল্য নিৰ্ধাৰণৰ নীতিৰ অভাৱ<br>◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে যোগাযোগৰ অভাৱ | ◆ সামগ্ৰীৰ উপযুক্ত মূল্য নিৰ্ধাৰণ<br>◆ নতুন উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উদ্ভাৱন। | ◆ ক্ৰেতা-বিক্ৰেতাৰ যোগসূত্ৰ স্থাপন<br>◆ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী, আলোচনা-চক্ৰত অংশগ্ৰহণ<br>◆ বজাৰ বিশেষজ্ঞৰ হস্তক্ষেপ |
| ঋণৰ সুবিধা | ◆ বেংক অথবা ডাকঘৰৰ সৈতে যোগাযোগৰ অভাৱ।<br>◆ বেংক অথবা চৰকাৰী আঁচনি সন্দৰ্ভত জ্ঞানৰ অভাৱ। | | ◆ ক্ষুদ্ৰ বিনিয়োগ, সাময়িক ঋণ, কাৰ্য সম্পাদনৰ বাবে মূলধনৰ ব্যৱস্থা। |
| উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণ | ◆ নতুন সামগ্ৰীৰ বিকাশ অথবা সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ অভাৱ।<br>◆ সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ বাবে ধাৰণাৰ অভাৱ। | ◆ চাহিদাৰ ওপৰত ভিত্তি কৰি সামগ্ৰীৰ বিকাশ তথা আধুনিক বজাৰৰ আৱশ্যকতাৰ ভিত্তিত সামগ্ৰীৰ বিকাশ। | ◆ দক্ষতা বিকাশ আৰু নতুন সামগ্ৰীৰ বিকাশৰ বাবে প্ৰশিক্ষণ। |

তালিকা নং— ১৬

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| ঋণগ্ৰস্ততা | | ◆ গাঁৱৰ সমীপৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। | |
| সুদৰ হাৰ | ◆ ব্যক্তিগত ঋণদাতাৰ দ্বাৰা অধিক হাৰত সুদ গ্ৰহণ। | ◆ ৰাজসাহায্যযুক্ত ঋণ ব্যৱস্থাপনা | |
| ঋণৰ উপলব্ধতা | ◆ ক্ষতি স্বীকাৰৰ আশংকা<br>◆ তথ্য-পাতি সংগ্ৰহৰ বাবে জ্ঞানৰ অভাৱ। | ◆ উদণ্ডনিমূলক প্ৰতিষ্ঠানৰ উদ্যোগ | ◆ ক্ষুদ্ৰ বিনিয়োগ, সাময়িক ঋণ আৰু মূলধনী ব্যয়ৰ ব্যৱস্থাপনা |
| বন্ধকীৰ সুবিধা | ◆ বন্ধকীৰ বাবে সা-সম্পত্তিৰ উপযুক্ত কাগজ-পাতিৰ অভাৱ। | ◆ গাঁও এলেকাত প্ৰয়োজনীয় কাগজ-পাতিৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি। | |



Divisional Forest Officer
Tinsukia Wildlife Division
Tinsukia

## সমস্যাৰ সমাধানৰ প্ৰস্তাৱ

যদি ই ডি চিৰ সদস্য অথবা বিষয়ববীয়াৰ মাজত কোনো মতানৈক্যৰ পৰিৱেশ সৃষ্টি হয়, তেনেহ'লে কাৰ্যবাহী কমিটীৰ সদস্যসকলে বৈঠকত মিলিত হৈ সমস্যাৰ সমাধান সূত্ৰ উলিওৱাৰ চেষ্টা কৰিব। যদি প্ৰথম বৈঠকত কোনো সমাধান সূত্ৰ নোলায়, তেনেহ'লে তেওঁলোকে উৰ্দ্ধতন কৰ্তৃপক্ষৰ উপস্থিতিত সমস্যাটোৰ সমাধান কৰিব। যদি তৎসত্বেও সমাধান সূত্ৰ নোলায়, উৰ্দ্ধতন কৰ্তৃপক্ষৰ লগতে সাধাৰণ সভাৰ বৈঠক আহ্বানেৰে সমস্যাৰ সমাধানৰ চেষ্টা কৰিব। যদি ইয়াতো সমাধান নহয়, তেন্তে জিলা প্ৰশাসনক আমন্ত্ৰণ জনাই সমস্যাৰ সমাধানৰ চেষ্টা কৰিব।